Sacn to Donate
NEWSNEXTONE.COM

www.newsnextone.com
# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

SATURDAY, JANUARY 11, 2025 ■ শনিবাৰ, ২৬ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৭ Guwahati, Assam ।। মূল্যঃ এটকা


৪ পৃষ্ঠাত নেপালৰ পৰা স্বামীৰ মৃতদেহ নিবলৈ অসমলৈ আহিছে সুশীলা ৰায়

৩ পৃষ্ঠাত বজাৰৰ মহলদাৰে শাক-পাচলি বেচা লোকৰ পৰা ধন লোৱা বন্ধ

৬ পৃষ্ঠাত গৌৰৱৰ উপস্থিতিত কংগ্ৰেছত যোগ অজাপ নেতা সুৰেশ ভূমিজৰ

# এটা পষেকতে গুৱাহাটীত ৫ যুৱতীৰ অনাকাংক্ষিত মৃত্যু

**ই-সংবাদ, ১০ জানুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আহি গুৱাহাটীত কামৰ সন্ধান কৰা ইগৰাকীৰ পিছত সিগৰাকীৰ যুৱতীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই চিন্তিত কৰি তুলিছে ৰাজ্যৰ অভিভাৱক-অভিভাৱিকাক। সদাব্যস্ত মহানগৰীত বিগত প্ৰায় এটা পষেকত ৫ গৰাকীক যুৱতীয়ে অনাকাংক্ষিত মৃত্যুক আকোৱালি লোৱাৰ খবৰে কামৰ বাবে ঘৰ এৰি অহা যুৱতীৰ পৰিয়াল চিন্তিত হোৱাতো স্বাভাৱিক হৈ পৰিছে। এগৰাকী যুৱতীক দিনৰ পোহৰতে ৰাজপথত ডেগাৰেৰে আক্ৰমণ শেষাংশ ২ পৃষ্ঠাত



কাশ্মীৰত পুৱাৰ শীত ফালি এইদৰে নাও লৈ জীৱিকাৰ সন্ধানত এজন লোক, ফটোঃ ইমৰাণ নিছাৰ

## উমৰাংছু কাণ্ডক লৈ হান্নান লস্কৰক গ্ৰেপ্তাৰ

**ই-সংবাদ, ১০ জানুৱাৰীঃ** সাধাৰণ লোকৰ ওপৰ বৰমতা দেখুওৱা, এনকাউণ্টাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰা অসম আৰক্ষীৰ বিজেপিৰ নেতাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হ'লে পেটত হাত-ভৰি লুকায়। সুৰংগত শ্ৰমিকক সোমোৱাই দি মৰিবলৈ বাধ্য কৰোৱাৰ উমৰাংছুৰ ঘটনাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ গৈ এখোজ আগবাঢ়ি দুখোজ পিছুৱাই আহিছে অসম আৰক্ষী। গহ্বৰত শ্ৰমিকক সোমাই দি মৰিবলৈ বাধ্য কৰোৱা শেষাংশ ৩ পৃষ্ঠাত

## ৰায় নাহিল, এতিয়া মেট্ৰিকৰ পিছতহে পঞ্চায়ত নিৰ্বাচন!

**ই-সংবাদ, ১০ জানুৱাৰীঃ** আজি সমগ্ৰ দিনটো পঞ্চায়ত নিৰ্বাচনৰ তাৰিখ ঘোষণাক লৈ জল্পনা-কল্পনা অব্যাহত থাকে। শাসক-বিৰোধী সকলোৱে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়লৈ অপেক্ষা কৰি শেষাংশ ৪ পৃষ্ঠাত

## পৰমাত্মাই প্ৰেৰণৰ কথা পাহৰি প'ডকাষ্টত প্ৰধানমন্ত্ৰী

# 'মই মানুহ, মই ঈশ্বৰ নহয়!'



**নতুন দিল্লী, ১০ জানুৱাৰীঃ** 'ভুল কৰাটো স্বাভাৱিক, ময়ো ভুল কৰিব পাৰো। মই মানুহ, ঈশ্বৰ নহয়।' -২০২৪ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে মানৱ সেৱাৰ বাবে 'পৰমাত্মা'ই প্ৰেৰণ কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জীৱনৰ প্ৰথমটো প'ডকাষ্টত ভাগ লৈ নিজকে মানৱ সজোৱা পৰিলক্ষিত হ'ল। দৰাচলতে শেষাংশ ২ পৃষ্ঠাত

## হিন্দী ভাষা ভাৰতৰ ৰাষ্ট্ৰভাষা নহয়ঃ অশ্বিন

**চেন্নাই, ১০ জানুৱাৰীঃ** হিন্দী ভাষাক লৈ ক্ৰিকেটাৰ ৰবিচন্দ্ৰন অশ্বিনৰ এক মন্তব্যই দেশজুৰি সূত্ৰপাত ঘটাইছে নতুন বিতৰ্কৰ। হিন্দী ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা নহয় বুলি এক ৩ পৃষ্ঠাত



# কয়লা ছিণ্ডিকেটৰ 'খলনায়ক'ক বিচাৰি ৰাজ্যজুৰি প্ৰদেশ কংগ্ৰেছৰ অৱস্থান ধৰ্মঘট

**গুৱাহাটী, ১০ জানুৱাৰীঃ** দেৱলাল গাৰ্লোছা আৰু তেওঁৰ পত্নী কণিকা হোজাইৰ লগতে খনি উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক নটৰাজন আনন্দক অসম আৰক্ষীয়ে কেতিয়া গ্ৰেপ্তাৰ



কৰিব? উচ্চতম ন্যায়ালয়ে বন্ধ কৰি থোৱাৰ পিছতো ৰেট হোল মাইনিং চলাই থকা বিজেপিৰ ৰাজনৈতিক নেতাৰ বিৰুদ্ধে চিবিআইয়ে কিয় তদন্ত নকৰে? শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এটা পযেকতে গুৱাহাটীত ৫ যুৱতীৰ

কৰি হত্যা কৰাৰ লগতে চাৰিগৰাকী যুৱতীৰ ৰহস্যজনক মৃত্যু হৈছে। ২৬ ডিচেম্বৰত মৌচুমী নামৰ যুৱতীক মহানগৰীৰ নাহৰণি পথত প্ৰেমিকে ডেগাৰেৰে আক্ৰমণ কৰি হত্যা কৰিছিল। তাৰ পিছতে গাড়ীগাঁৱত ১৩ বছৰীয়া স্কুলীয়া ছাত্ৰী জুহি দাসৰ মৃতদেহ ব্ৰহ্মপুত্ৰৰ ঘাটত উদ্ধাৰ হৈছিল। ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত ৰাজগড়ত পায়েল শইকীয়াৰ মৃতদেহ উদ্ধাৰ হৈছিল। ৯ জানুৱাৰীত তৰুণ নগৰত প্ৰতীক্ষা শৰ্মাৰ মৃতদেহ উদ্ধাৰ হয়। এদিন পিছতে আজি গুৱাহাটীত দুটাকৈ ভয়ংকৰ ঘটনা সংঘটিত হৈছে। ৰুক্মিণীগাঁৱৰ ভাড়াঘৰত ৰহস্যজনক অৱস্থাত এগৰাকী যুৱতীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ লগতে ভেটাপাৰাত এগৰাকী যুৱতীক ছুৰিকাঘাত কৰি হত্যাৰ প্ৰয়াস কৰা হয়। এটা পযেকত পাঁচটা কৈ মৃত্যুৰ ঘটনাৰ লগতে আজি একেটা দিনত দুটাকৈ ঘটনা সংঘটিত হৈ পৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

ৰুক্মিণীগাঁৱৰ ভাড়াঘৰত উদ্ধাৰ হোৱা যুৱতীগৰাকীক বিপ্লৱী নাথ বুলি চিনাক্ত কৰা হৈছে। ৰুক্মিণীগাঁও ৰংগমঞ্চ পথৰ ৮নং ঘৰটোত ভাড়াতীয়া হিচাপে থকা বিপ্লৱী নাথৰ মৃতদেহ শুই থকা অৱস্থাতে উদ্ধাৰ কৰা হৈছে। বৃহস্পতিবাৰে বিপ্লৱীয়ে কোঠাৰ পৰা বাহিৰলৈ নোলোৱাত নিশা ঘৰৰ মালিকে মাত দিছিল। কিন্তু ভিতৰৰ পৰা সঁহাৰি দিয়া নাছিল। নিশাই ঘৰৰ মালিকে দুৱাৰখন যেনি-তেনি খুলি ভিতৰলৈ সোমাই দেখে যে এখন কম্বল মেৰিয়াই বিপ্লৱী শুই আছে। ওচৰলৈ গৈ কেবাবাৰো মাত দিয়াৰ পিছতো সহাৰি নজনোৱাৰ লগে লগে শৰীৰ লৰ-চৰ কৰা নাছিল। লগে লগে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীৰ দল আহি বিপ্লৱী নাথক মৃত অৱস্থাত উদ্ধাৰ কৰে। আৰক্ষীয়ে সন্দেহ কৰা মতে দুই বা তিনিদিন পূৰ্বে মৃত্যু হৈছিল যুৱতীগৰাকীৰ। জানিব পৰা মতে, বিপ্লৱী নাথৰ ঘৰ হৈছে গোৱালপাৰাত। প্ৰায় ডেৰমাহ পূৰ্বে ৰুক্মিণীগাঁৱত ভাড়াঘৰ লৈছিল গোৱালপাৰাৰ বিপ্লৱীয়ে। লেকমি কোম্পানীত কাম কৰাৰ লগতে অধ্যয়ন কৰি আছিল যুৱতীগৰাকীয়ে। ইপিনে পৰিয়ালে ফোনত পোৱা নাছিল বিপ্লৱীক, ফোন অফ পাইছিল। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও মৃত্যুৰ কাৰণ কি এই পৰ্যন্ত প্ৰকাশ কৰা নাই। মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হৈছে। আজি বিপ্লৱীৰ জ্যেষ্ঠ ভগ্নী আৰু পিতৃ তেওঁৰ ভাড়া ঘৰলৈ অহাৰ কথা আছিল। শুকুৰবাৰে বিপ্লৱীৰ নাথৰ পিতৃ আৰু জ্যেষ্ঠ ভগ্নী গুৱাহাটীলৈ অহাৰ কথা আছিল। কিন্তু তাৰ পূৰ্বে বৃহস্পতিবাৰে নিশা বিপ্লৱীৰ মৃতদেহ উদ্ধাৰ হয়। ইপিনে মহানগৰীৰ ভেটাপাৰাৰ গোল্ডেন পথত এজন যুৱকে এগৰাকী যুৱতীক ছুৰীকাঘাট কৰে। যুৱকজনক স্থানীয় লোকে আৱদ্ধ কৰি আৰক্ষীক গতাই দিছে। যুৱকজন আজুল হক বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মই মানুহ, মই ঈশ্বৰ নহয়!

জেৰোধাৰ সহ-প্ৰতিষ্ঠাপক নিখিল কামাতৰ সৈতে প্ৰথমটো প'ডকাষ্টত ভাগ লৈ কথা প্ৰসংগত তেওঁৰো ভুল কৰিব পাৰে বুলি মন্তব্য কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। দুঘণ্টীয়া এই প'ডকাষ্টত শৈশৱ, যৌৱন আৰু কৰ্মজীৱনৰ নানা কথাও ব্যক্ত কৰে তেওঁ। মোদীয়ে কয় যে তেওঁ এতিয়াও নিজৰ ৰিস্ক লোৱাৰ সৰ্বোচ্চ ক্ষমতা ব্যৱহাৰ কৰা নাই। তেওঁৰ ৰিস্ক লোৱা মানসিকতা অতি শক্তিশালী। প'ডকাষ্টত এটা ঘটনাৰ কথা উল্লেখ কৰি তেওঁ কয় যে সেই সময়ত তেওঁ আৰ এছ এছত কাম কৰি আছিল আৰু গাড়ী চলাবলৈ শিকিছিল। এবাৰ ঢাল ৰাস্তা এটাত গাড়ী চলাই থাকোতে তেওঁ ভাৱিলে যে ইঞ্জিনটো বন্ধ কৰি দিলে পেট্ৰ'ল ৰাহি কৰিব পৰা যাব আৰু গাড়ীখনো নিজে নিজে চলি গৈ থাকিব। প্ৰধানমন্ত্ৰীয়ে কয়, "তেতিয়া মই বৰ বেছি জনা নাছিলোঁ। গাড়ীখন দ্ৰুতগতিত নামিবলৈ ধৰিলে। মই ব্ৰেক লগাবলৈ চেষ্টা কৰিলোঁ, কিন্তু ইঞ্জিন বন্ধ হৈ গ'ল। মোৰ কাষত বহি থকা কোনেও ধৰিব পৰা নাছিল যে মই আচলতে কি কৰিলোঁ।" লগতে তেওঁ কয় যে শিক্ষণ অভিজ্ঞতাৰ পৰাই আহে আৰু অভিজ্ঞতাই আপোনাক জীৱনত আগুৱাই লৈ যায়। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁ কেতিয়াও আৰামদায়ক জীৱন কটাব পৰা নাই। সদায় কম্ফ'ৰ্ট জ'নৰ বাহিৰত তেওঁ কাম কৰি আহিছে। তেওঁ নিজকে কম্ফ'ৰ্ট জ'নৰ বাবে অনুপযুক্ত বুলি মন্তব্য কৰে। তেওঁৰ মতে, "যদি কোনো উদ্যোগপতি নিজৰ কম্ফ'ৰ্ট জ'নৰ বাহিৰলৈ খোজ নিদিয়ে, তেন্তে তেওঁৰ প্ৰগতিৰ সীমা নিৰ্ধাৰণ কৰা হয়। জীৱন বা কৰ্মৰ যিকোনো ক্ষেত্ৰতে আগবাঢ়ি যাবলৈ হ'লে নিজৰ কম্ফ'ৰ্ট জ'নৰ বাহিৰলৈ গৈ খোজ দিব লাগিব। ই হৈছে  ৰিস্ক লোৱাৰ মানসিকতা, যিয়ে এজনক আগুৱাই লৈ যায়।" মোদীয়ে লগতে কয়,"মোৰ ৰিস্ক লোৱাৰ ক্ষমতা এতিয়াও সম্পূৰ্ণৰূপে ব্যৱহাৰ হোৱা নাই। মোৰ ৰিস্ক লোৱা ক্ষমতা বহুত বেছি কাৰণ মই নিজৰ বাবে চিন্তা নকৰো। নিজৰ বাবে চিন্তা নকৰা ব্যক্তিৰ ৰিস্ক লোৱা ক্ষমতা অপৰিসীম।" প্ৰণিধানযোগ্য যে, ২০২৪ৰ লোকসভা নিৰ্বাচনৰ ঠিক পূৰ্বে এটা সংবাদ মাধ্যমক দিয়া সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰিছিল যে তেওঁৰ অনুভৱ হয় যেন পৰমাত্মাই তেওঁক মানৱ সেৱাৰ বাবে প্ৰেৰণ কৰিছে। সেই সাক্ষাৎকাৰত ঈশ্বৰৰ সৈতে পোনপটীয়া সংযোগ থকা বুলিও মন্তব্য কৰিছিল নৰেন্দ্ৰ মোদীয়ে। এতিয়া প'ডকাষ্টত তেওঁ নিজকে 'মানুহ' সজাই ভুল হ'ব পাৰে বুলি কৰা মন্তব্যই নেটিজেনক আলোচনাৰ খোৰাক দিছে। এই পডকাষ্টৰ পিছতে মোদীৰ মন্তব্যক লৈ ভিন্নজনে ইয়াকে লৈ ৰগৰো কৰা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কয়লা ছিণ্ডিকেটৰ 'খলনায়ক'ক বিচাৰি

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰেট হোল মাইনিং চলি থাকিবলৈ দি ছিণ্ডিকেটৰাজৰ পৃষ্ঠপোষকতা কৰি থকা নাইনে? এই প্ৰশ্নৰে আজি সমগ্ৰ অসমৰ আকাশ-বতাহ কঁপাই তোলে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে। গুৱাহাটীৰ মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বত হাজাৰ হাজাৰ কংগ্ৰেছ নেতা-কৰ্মীয়ে শ্ৰমিক হত্যাকাৰীক ধিক্কাৰ দিয়াৰ লগতে এই ঘটনাত জড়িত বিজেপি নেতা-কৰ্মীক কঠোৰ শাস্তি বিহাৰ দাবী উত্থাপন কৰে। কংগ্ৰেছ কৰ্মীসকলক উদ্দেশ্যি দিয়া ভাষণত সভাপতি ভূপেন বৰাই ২০০০ টকা ঘোচ খালেই জপিয়াই পৰিম বুলি ঘোষণা কৰা দুৰ্নীতি বিৰোধী বাঘ হিমন্ত বিশ্ব শৰ্মাক ২০২৬ত ভোটৰ বাকচত অসমৰ ৰাইজে ট্ৰেংকুলাইজড কৰি অচেতন কৰি পেলাব বুলি ঘোষণা কৰে। অসমত এতিয়া এফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞাৰ মাটি-সম্পত্তি আৰু আনফালে ডিমা হাছাওত দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ কয়লাৰ ছিণ্ডিকেটৰ মালিক হৈ ধনী হোৱাৰ বাহিৰে বাকী সাধাৰণ মহিলাসকল ১২০০ টকীয়া হিতাধিকাৰী বুলি কটাক্ষ কৰে। বিজেপিৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ আৰু সহ্য কৰা নহ'ব বুলি উল্লেখ কৰি কংগ্ৰেছে সত্যৰ সন্ধানত যুদ্ধ আব্যাহত ৰাখিব বুলি উল্লেখ কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, উপ-সভাপতি নৃপেন ঠাকুৰীয়া, সেৱা দলৰ সভাপতি দ্বীপ বায়ন, বিধায়ক নন্দিতা দাস, ৰেকিবুদ্দিন আহমেদ, দিগন্ত বৰ্মন, জিলা কংগ্ৰেছৰ সভাপতি কংকন দাস, গোপাল শৰ্মা, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই বিজেপি নেতৃত্বৰ চৰকাৰে কি কি ছিণ্ডিকেটৰ লগত জড়িত সেয়া সবিস্তাৰে তথ্য সহকাৰে নিজৰ ভাষণত উল্লেখ কৰি বিজেপিৰ দুৰ্নীতিৰ বিৰুদ্ধে কংগ্ৰেছে যুদ্ধ আৰম্ভ কৰা বুলি ঘোষণা কৰে। ইফালে, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ আৰু যুৱ কংগ্ৰেছৰ একাংশ নেতাৰ নেতৃত্বত গুৱাহাটীত থকা ক'ল ইণ্ডিয়াৰ কাৰ্যালয় আজি ঘেৰাও কৰা হয় আৰু শ্ৰমিক হত্যা কৰা চৰকাৰৰ বিৰুদ্ধে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। অসমৰ প্ৰায় সকলো জিলাতে জিলা কংগ্ৰেছৰ সভাপতিৰ নেতৃত্বত আজি এইদৰে হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্নীতিৰ বিৰুদ্ধে গণ আন্দোলন গঢ়ি উঠা দেখা যায়। বিজেপি চৰকাৰৰ অনিয়মৰ বিৰুদ্ধে কংগ্ৰেছৰ এই আন্দোলন ২০২৬ৰ নিৰ্বাচনলৈকে অব্যাহত থাকিব বুলিও নিজৰ ভাষণত সভাপতি ভূপেন বৰাই ঘোষণা কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উমৰাংছু কাণ্ডক লৈ হান্নান লস্কৰক

ৰৌ-বৰালিক গ্ৰেপ্তাৰ নকৰি পুঠি-খলিহনাক ধৰিছে অসম আৰক্ষীয়ে। কয়লা চিণ্ডিকেটত বিজেপিৰ নেতা তথা ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাই জড়িত বুলি তথ্য পোহৰলৈ আহিছে। অসম খনিজ উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক নটৰাজন আনন্দে দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইক হাতে লিখা মেনুৱেল অৰ্ডাৰ দিছিল। সেই অৰ্ডাৰ লৈয়ে কণিকা হোজাইয়ে উমৰাংছুৰ তিনকিলোত গোপনে ৰেট হোল মাইনিং কৰিছিল। যিটো গাতত সোমাই শ্ৰমিক আৱদ্ধ হৈ আছে সেই গাতটোৰ পৰা ইতিমধ্যে প্ৰায় ৩০০ ফুট খান্দি কয়লা উলিয়াই বিক্ৰী কৰিছে কণিকা হোজাইয়ে। পুনৰ প্ৰায় অৰ্ধশতাধিক শ্ৰমিকক কামত নিয়োজিত কৰাত হঠাৎ সুৰংগ সদৃশ গাতত পানী সোমাই প্ৰায় ১০ শ্ৰমিক আৱদ্ধ হৈ পৰে। অসম আৰক্ষীয়ে এই ঘটনাক লৈ নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে যদিও এই পৰ্যন্ত তদন্ত অবৈধ মাইনিঙৰ মুখ্য পৃষ্ঠপোষকৰ কাষ চাপিবলৈ সাহস কৰা নাই। কণিকা হোজাইৰ বিৰুদ্ধে আজিলৈ গোচৰ ৰুজু কৰিবলৈ সাহস গোটাব পৰা নাই অসম আৰক্ষীয়ে। কণিকা হোজাইক গ্ৰেপ্তাৰ কৰাটো দূৰৰ কথা গোচৰ ৰুজু কৰিবলৈ সাহস গোটাব পৰা নাই। বিৰোধী তথা ডিমা হাচাও জিলাৰ একাংশ বিজেপি নেতাই মুখ্য কাৰ্যবাহী তথা বিজেপিৰ নেতা দেৱলালৰ পত্নী কণিকা এই অবৈধ কাণ্ডত জড়িত বুলি অভিযোগ উত্থাপন কৰি গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাই আহিছে যদিও অসম আৰক্ষীয়ে পদক্ষেপ ল'বলৈ সাহস গোটাব পৰা নাই। খনিটোৰ পৰিচালক পুনিছ নুনিছাক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। কালি নিশা অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে ব্যৱসায়ী হান্নান লস্কৰক। চৰকাৰী পৃষ্ঠপোষকাতত একাংশ চিণ্ডিকেটৰ নায়ক-নায়িকাই খন্দা মৃত্যুৰ সুৰংগত আজিও আৱদ্ধ হৈ আছে কেবাগৰাকী শ্ৰমিক। দেশৰ সবাতোকৈ শক্তিশালী বাহিনী সেনা, নৌসেনাৰ নিয়োজিত হোৱাৰ পিছতো এই পৰ্যন্ত সকলো শ্ৰমিকক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। নেপালৰ এজন শ্ৰমিকক উদ্ধাৰ কৰাৰ দুটা দিন পিছত আন আৱদ্ধ শ্ৰমিকৰ কাষ চাপিব পৰা নাই উদ্ধাৰকাৰী দল। উমৰাংছুৰ অবৈধ কয়লাখনিত এতিয়াও আনুমানিক ৯ শ্ৰমিক আৱদ্ধ হৈ আছে। ভাৰতীয় সেনা, নৌসেনা, ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে খনিকৰ্মীসকলক উদ্ধাৰৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি আছে। অবৈধ খনি খননত উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ নাম সাঙোৰ খাই পৰাত বিৰোধী দলসমূহে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গৈছে। অসম খনিজ উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক নটৰাজন আনন্দৰ জ্ঞাতসাৰে এই ভয়ংকৰ কাণ্ড সংঘটিত হৈছিল বুলি দাবী কৰিছে। নটৰাজন আনন্দ, ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ নেতৃত্বত ৰেট হোল মাইনিং কৰা হয় বুলি স্থানীয় লোকে বাৰে বাৰে অভিযোগ আনিছে। কিন্তু চৰকাৰে কণিকা হোজাই আৰু নটৰাজন আনন্দৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। খনিটোত অবৈধভাৱে খনন কৰা হৈছিল বুলি জনাৰ পিছতো পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হোৱা নাই বুলি স্থানীয় লোক আৰু একাংশ নাম প্ৰকাশত অনিচ্ছুক বিজেপি নেতাই অভিযোগ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিন্দী ভাষা ভাৰতৰ ৰাষ্ট্ৰভাষা নহয়

প্ৰসংগত ক্ৰিকেটাৰগৰাকীয়ে কৰা মন্তব্যৰ পিছতে তেওঁৰ বিৰুদ্ধে সৰৱ হৈ পৰা দেখা গৈছে বিজেপি আৰু উত্তৰ ভাৰতৰ নেটিজেনসকলে। উল্লেখ্য যে, দক্ষিণ ভাৰতীয় শিপাৰে ক্ৰিকেট কেৰিয়াৰ গঢ়ি তোলা আৰ অশ্বিনে শেহতীয়াকৈ ভাগ লৈছিল এখন ব্যক্তিগত মহাবিদ্যালয়ৰ স্নাতক সমাৱৰ্তন অনুষ্ঠানত। সেই সময়ত তামিল আৰু ইংৰাজী ভাষাৰ দক্ষতা থকা অথচ হিন্দী ভাষাত প্ৰশ্ন কৰিবলৈ অসুবিধা পোৱা এগৰাকী ছাত্ৰক উদ্দেশ্যি ক্ৰিকেটাৰগৰাকীয়ে কয় যে হিন্দী ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা নহয়, ই এক চৰকাৰী ভাষাহে। ছাত্ৰ-ছাত্ৰীসকলক নিজৰ সুবিধা আৰু পছন্দ অনুসৰি ভাষা ব্যৱহাৰ কৰিবলৈ আহ্বান জনাই আৰ অশ্বিনে কয়, 'মই ভাৱো এই কথা কোৱা উচিত- হিন্দী আমাৰ ৰাষ্ট্ৰীয় ভাষা নহয়, ই কেৱল চৰকাৰী ভাষা।' এই অনুষ্ঠানত অশ্বিনে কৰা মন্তব্যৰ পিছতে দেশজুৰি বিতৰ্কৰ ধুমুহা বয়। বিজেপি আৰু হিন্দী বলয়ৰ দল-সংগঠনসমূহে ক্ৰিকেটাৰগৰাকীৰ এই মন্তব্যক সমালোচনা কৰা পৰিলক্ষিত হয়। সামাজিক মাধ্যমতো অশ্বিনৰ মন্তব্যই মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মন কৰিবলগীয়া যে, হিন্দী ভাষাক লৈ ৰবিচন্দ্ৰন অশ্বিনৰ এনে মন্তব্যই তামিলনাডুত ৰাজনৈতিক আৰু সাংস্কৃতিক পটভূমিক পুনৰ এবাৰ চৰ্চাৰ বিষয় কৰি তুলিছে। বিশেষকৈ তামিল ভাষাৰ অধিকাৰ আৰু সাংস্কৃতিক গৌৰৱৰ বাবে দীৰ্ঘদিনীয়া আন্দোলনৰ পিছত তামিলনাডুত হিন্দী ভাষা এক বিতৰ্কিত বিষয় হৈ পৰিছে। তামিল আন্দোলনে ৰাজ্যখনত হিন্দীক বাধ্যতামূলক ভাষা হিচাপে জাপি দিবলৈ প্ৰয়াস কৰাৰ পিছতে ১৯৩০ আৰু ১৯৪০ৰ দশকত তামিলনাডুৰ ভিতৰত হিন্দী ভাষাৰ তীব্ৰ বিৰোধিতা হৈছিল। তামিল ভাষাৰ সাংস্কৃতিক পৰিচয় আৰু অধিকাৰ সুৰক্ষিত কৰিব বিচৰা এই প্ৰতিবাদত দ্ৰাবিড় আন্দোলনে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। হিন্দীক প্ৰচাৰ কৰিলে তামিল ভাষাৰ স্থান হ্ৰাস পাব আৰু স্থানীয় সাংস্কৃতিক পৰিচয় এলাগী হ'ব বুলি দাবী কৰি দ্ৰাবিড় ৰাজনৈতিক দলসমূহে হিন্দীৰ সলনি তামিল প্ৰচাৰ কৰি আহিছে। শেহতীয়াকৈ কেন্দ্ৰীয় মোদী চৰকাৰে হিন্দী ভাষা বাধ্যতামূলক কৰিব বিচৰা সময়তো ইয়াৰ বিৰোধিতাৰে সৰৱ হৈ পৰিছিল তামিলনাডুৰ শাসকীয় ডিএমকেকে ধৰি বিভিন্ন আঞ্চলিক দল-সংগঠন। লক্ষণীয় যে, সেই সময়তো হিন্দী ভাষা বাধ্যতামূলক কৰাৰ বিৰোধিতা কৰি মন্তব্য প্ৰকাশ কৰিছিল ক্ৰিকেটাৰ আৰ অশ্বিনে।

# কেবিনেট সিদ্ধান্ত! শাক-পাচলি বিক্ৰী কৰি অহা সাধাৰণ লোকৰ পৰা মহলদাৰে ল'ব নোৱাৰিব মাচুল

**ই-সংবাদ, ১০ জানুৱাৰীঃ** আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভাৰ কেবিনেট বৈঠক অনুষ্ঠিত হয়। জনতা ভৱনত অনুষ্ঠিত এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেটৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি সিদ্ধান্তসমূহ ৰাজহুৱা কৰে। ডিব্ৰুগড় আৰু শোণিতপুৰ জিলাৰ দুটা চাহ পৰ্যটন প্ৰকল্প, অসমত দুগ্ধ বিপ্লৱৰ সূচনা, মন্দিৰ-নামঘৰকে ধৰি ৰাজহুৱা অনুষ্ঠানৰ ভূমি আৱণ্টন, ক্ষুদ্ৰ বিক্ৰেতাক মহলদাৰী মাচুলৰ পৰা ৰেহাই, নগৰ পৰিকল্পনা খণ্ডৰ বিকাশৰ পৰিকল্পনাক লৈ সিদ্ধান্ত লোৱাৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। মুখ্যমন্ত্ৰীয়ে সংবাদমেলযোগে কয় যে মিছন বসুন্ধৰা ৩.০ত নামঘৰ, মন্দিৰ, স্কুল, কলেজকে ধৰি বিভিন্ন ৰাজহুৱা অনুষ্ঠানে পট্টাৰ বাবে প'ৰ্টেলত আৱেদন কৰিব পৰা নাই সেইসকলে হাতে হাতে নথি দি মেনুৱেলী আৱেদন কৰিব পাৰিব। ৩০ জানুৱাৰীলৈ মেনুৱেলী আৱেদন কৰিব পাৰিব। কেবিনেটে ২০০৬ চনত প্ৰাদেশিকীকৰণৰ পৰা বাদ পৰা বিদ্যালয়সমূহক প্ৰাদেশিকীকৰণ কৰাৰ সিদ্ধান্ত লয়। শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ নেতৃত্বত ৩ জনীয়া সদস্যৰ সমিতি গঠনত অনুমোদন জনাই কেবিনেটে। বনভূমিক ৰাজহ গাঁও কৰাৰ সিদ্ধান্ত লয়। ডিব্ৰুগড় জিলাৰ বনভূমিৰ মাটিৰ শ্ৰেণী পৰিবৰ্তন কৰি ৰাজহ গাঁও কৰা হ'ব। ইপিনে কেবিনেটে খিলঞ্জীয়াৰ বাবে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। খিলঞ্জীয়া লোকে বসতি কৰি থকা ভূমিত উচ্ছেদ অভিযান নচলোৱাৰ সিদ্ধান্ত লয়। ক্ষুদ্ৰ ব্যৱসায়ী তথা খেতিয়কক মাচুল ৰেহাই দিয়াৰ সিদ্ধান্ত লয়। শাক-পাচলি বিক্ৰী কৰি অহা সাধাৰণ লোকৰ পৰা মহলদাৰে মাচুল ল'ব নোৱাৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰায় নাহিল, এতিয়া মেট্ৰিকৰ পিছতহে

আছিল। কিন্তু অপেক্ষা কৰাৰ দৰে ৰায় নাপালে শাসক-বিৰোধীয়ে। আজি উচ্চ ন্যায়ালয়ত পঞ্চায়ত নিৰ্বাচনক লৈ শুনানিৰ দিন আছিল। উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত কোনো নিৰ্দেশনা তথা ৰায় নিদিলে। যিহেতু আদালতে ৰায় তথা নিৰ্দেশনা নিদিলে সেয়েহে আজিৰ পিছত চাৰিটা দিন আদালত বন্ধ থাকিব। সেয়েহে ৰায় নিদিয়া পৰ্যন্ত ৰাজ্যিক নিৰ্বাচন বিভাগ তথা অসম চৰকাৰে পঞ্চায়ত নিৰ্বাচনৰ তাৰিখক লৈ কোনোধৰণৰ সিদ্ধান্ত ল'ব নোৱাৰিলে। আদালতৰ জটিলতাৰ বাবে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণাৰ সমগ্ৰ প্ৰক্ৰিয়া ওলমি থাকিল। জানিব পৰা মতে, ইয়াৰ পূৰ্বৰ শুনানিত আজিলৈ পঞ্চায়ত নিৰ্বাচনৰ সিদ্ধান্ত লোৱাত স্থগিত দিছিল ন্যায়ালয়ে। আজি আছিল শুনানিৰ দিন। আজি ন্যায়ালয়ে দুয়োপক্ষৰ মতামত গ্ৰহণ কৰে। আজি ৰায় দিয়াৰ সম্ভাৱনা আছিল যদিও শেষত ন্যায়ালয়ে নিশা পৰ্যন্ত ৰায় নিদিলে। ফলত ৰায়দান কিছু বিলম্ব হোৱাৰ সম্ভাৱনা আছে। ন্যায়ালয়ে ৰায় নিদিয়াৰ কথা অৱগত হৈ মুখ্যমন্ত্ৰীয়ে সংবাদমেল সম্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আমি আজি ন্যায়ালয়ৰ ৰায়ৰ বাবে ৩ ঘণ্টা ৰখি আছিলো। গোটেই কেবিনেটে ৰৈ আছিলো। কিন্তু ৰায় পোৱা নগ'ল। মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়াও সময় আছে। যদি নিশাৰ ভিতৰত ৰায় দিয়ে তেন্তে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব। অন্যথাই হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ পিছত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে শাসক দলে বিধানসভা নিৰ্বাচনৰ পূৰ্বে কেতিয়াও পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰে। ৰিস্ক নলয়। আমি পঞ্চায়ত নিৰ্বাচন পাতিবলৈ সাহস কৰিছো। আমি পঞ্চায়ত নিৰ্বাচন পাতিবলৈ উদগ্ৰীৱ হৈ আছো। আনহাতে মুখ্যমন্ত্ৰীয়ে কয় যে আজি ১০ জানুৱাৰী। আজি যদি দিন ঘোষণা কৰা হয় তেন্তে নিৰ্বাচন পাতিবলৈ আমাক এমাহ সময় লাগিব। মহামান্য ন্যায়াধীশগৰাকীয়ে ঘোষণা কৰিছিল যে তেওঁ আজিৰ ভিতৰত ৰায় দিব। গোটেই কেবিনেটখনে তিনি ঘণ্টা বহি আছো। এতিয়ালৈকে ৰায় অহা নাই। ৰায় আহিব বুলি দিনৰ দুটা বজাৰ পৰা ৰৈ আছিলো। আজি ৰায় নিদিলে মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰীৰ পিছলৈ লৈ যাব লাগিব। কাৰণ ১৪ ফেব্ৰুৱাৰীৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা অনুষ্ঠিত হ'ব। যদি আজি ৰাতি ৰায় নাহে তেন্তে পঞ্চায়ত নিৰ্বাচন সোনকালে পতাটো সম্ভৱ নহ'ব। দহদিন কোৰ্ট বন্ধ থাকিব। হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ মাজত পঞ্চায়ত নিৰ্বাচন পাতিব পৰা নাযায়। যিসকলে সুধি আছে যে পঞ্চায়ত নিৰ্বাচন কেতিয়া হ'ব তেওঁলোকৰ বাবে এই উত্তৰ। আমি তিনিদিন ধৰি ৰৈ আছো। গোচৰ বিলাক হৈছে কেৱল কৰিমগঞ্জ জিলাৰ ১৯ খন পঞ্চায়তত। বাকী অসম ইয়াৰ লগত জড়িত নহয়। ইফালে মুখ্যমন্ত্ৰীৰ সংবাদমেলৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰে এপিচিচিৰ সভাপতি ভূপেন বৰাই। শাসক দলে বিধানসভা নিৰ্বাচনৰ পূৰ্বে কেতিয়াও পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰে বুলি কোৱা মন্তব্য হাস্যকৰ বুলি কৈ হিতেশ্বৰ শইকীয়া আৰু তৰুণ গগৈ চৰকাৰে সময়মতে নিৰ্বাচন অনুষ্ঠিত কৰাৰ তথ্য দাঙি ধৰে কংগ্ৰেছ নেতাগৰাকীয়ে।

# এমা-ডিমা ৩ সন্তানক লগত লৈ গংগাৰ মৃতদেহ নিবলৈ নেপালৰ পৰা আহিছে সুশীলা

**ই-সংবাদ, ১০ জানুৱাৰীঃ** তিনি সন্তানক লগত লৈ স্বামীৰ মৃতদেহ নিবলৈ নেপালৰ পৰা ডিমা হাচাওত উপস্থিত হৈছে এগৰাকী মহিলা। মহিলাগৰাকী হৈছে উমৰাংছুৰ কয়লা খনিৰ সুৰংগত উদ্ধাৰ হোৱা গংগা বাহাদুৰ শ্ৰেষ্ঠৰ পত্নী। তিনিটা এমা-ডিমা সন্তানক লৈ স্থল পথেৰে অসমত উপস্থিত হৈছে সুশিলা ৰায়। উদ্ধাৰ অভিযানৰ তৃতীয় দিনটোত উদ্ধাৰ হোৱা সুশিলাৰ স্বামী গংগাৰ মৃতদেহ প্ৰশাসনে ৰাখিছে হাফলঙৰ চৰকাৰী হাস্পতালত। আজি পত্নী সুশিলা ৰায়ে হাফলঙত উপস্থিত হৈ স্থানীয় প্ৰশাসনৰ সৈতে যোগাযোগ কৰিছে। প্ৰশাসনে মৃতদেহ দিয়াৰ পিছতে এম্বুলেন্সেৰে অসম-নেপাল সীমান্তলৈ নিয়াৰ পিছতে নেপালত প্ৰৱেশ পিছত ঘৰলৈ নিয়াৰ ব্যৱস্থা কৰিব বুলি জানিব পৰা গৈছে। নেপালৰ উদয়পুৰ জিলাৰ ৰামপুৰ ভিজপুৰৰ সুশিলা ৰায় কয় যে মাত্ৰ দুমাহৰ আগত অসমলৈ আহিছিল। ৬ জানুৱাৰীত এই ঘটনা ঘটা বুলি কোনো শ্ৰমিকে খবৰ দিছিল। তাৰ পিছতে বাতৰিত সকলো দেখি আছিল। স্বামী গংগা একমাত্ৰ উপাৰ্জনকাৰী আছিল। মোৰ দুজনী কন্যা আৰু এটা পুত্ৰ সন্তান আছে। দৰিদ্ৰ মানুহ। কি কেনেকৈ জীয়াই থাকিম ভাবি পোৱা নাই। ভাৰত চৰকাৰক সহায় কৰিবলৈ অনুৰোধ জনাইছো। সুশিলা ৰায়ৰ সৈতে আহিছে ৰোশন ৰায় নামৰ এগৰাকী পুৰুষ। কয়লাখনিত তেওঁলোকৰ চিনাকী লিজান মগাৰ নামৰ আন এজন লোকো আৱদ্ধ হৈ আছে। অসম-মেঘালয় সীমান্তৰ উমৰাংছুৰ তিনি কিলোত কয়লাখনি ৰেট হোল মাইনিঙৰ সময়তে ৬ জানুৱাৰীৰত পানী সোমাই বহু শ্ৰমিক আৱদ্ধ হৈ পৰে। প্ৰায় ৫ দিন ধৰি উদ্ধাৰ অভিযান চলি আছে যদিও অই পৰ্যন্ত মাথো গংগা বাহাদুৰ শ্ৰেষ্ঠৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। উমৰাংছুৰ অবৈধ কয়লা খনিত আৱদ্ধ শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। ৬ জানুৱাৰীৰ আবেলিৰ পৰা চলা অভিযানত তৃতীয়টো দিনত অতি কষ্টৰে এটা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল উদ্ধাৰকাৰী দলে। পেৰা ২১ৰ ডুবাৰুৱে ভিতৰত সোমাই উলিয়াই আনিবলৈ সক্ষম হোৱা মৃতদেহটো নেপালৰ উদয়পুৰ জিলাৰ খনিকৰ্মী গংগা বাহাদুৰ শ্ৰেষ্ঠৰ আছিল। মৃতদেহটো হাফলঙলৈ মৰণোত্তৰ পৰীক্ষা কৰা হৈছে। প্ৰশাসনে সকলো আনুষ্ঠানিকতাৰ অন্তত মৃতদেহ পৰিয়ালক চমজাই দিয়াৰ ব্যৱস্থা কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ঘটনাটোক লৈ ৰাজ্যজুৰি অব্যাহত আছে প্ৰতিক্ৰিয়া।

# অসম কৃষি বিশ্ববিদ্যালয়ৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ

**ই-সংবাদ বিশেষ, যোৰহাট, ১০ জানুৱাৰীঃ** জীৱাণুসাৰ আৰু জৈৱিক কীটনাশকৰ বাণিজ্যিক উৎপাদনৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ে আজি এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।অসম কৃষি বিশ্ববিদ্যালয়ে দীৰ্ঘদিনীয়া গৱেষণাৰ জৰিয়তে উদ্ভাৱন কৰা এই জীৱাণুসাৰ আৰু জৈৱিক কীটনাশকৰ বাণিজ্যিক উৎপাদনৰ জৰিয়তে কৃষকৰ মাজলৈ আগবঢ়াই নিয়াৰ বাবে প্ৰমেক টেকনলজিচ এণ্ড চাৰ্ভিচেজৰ সৈতে চুক্তিবদ্ধ হয়। এই চুক্তিৰ জৰিয়তে জীৱাণুসাৰ আৰু জৈৱিক কীটনাশকৰ নিৰ্বাচিত ৮ প্ৰকাৰৰ বাণিজ্যিক উৎপাদনৰ আৰম্ভ হ'ব। অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি গৱেষণা সঞ্চালকৰ সভাগৃহত আয়োজিত এক বিশেষ অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ হৈ কৃষি গৱেষণা সঞ্চালক ড° সঞ্জয় কুমাৰ চেতিয়া আৰু প্ৰমেক টেকনলজিচ এণ্ড চাৰ্ভিচেজৰ হৈ কংকন কাশ্যপে এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। চুক্তি স্বাক্ষৰ অনুষ্ঠানত বক্তব্যত কৃষি গৱেষণা সঞ্চালক ড° সঞ্জয় কুমাৰ চেতিয়াই কয় যে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড: বিদ্যুৎ চন্দন ডেকাই বিশ্ববিদ্যালয়ৰ উদ্ভাৱন সমূহৰ কৃষকৰ মাজলৈ নিয়াত গুৰুত্ব আৰোপ কৰিছে। সেয়ে এই পদক্ষেপৰ অংশ হিচাপে উদ্যোগ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ মাজত হোৱা বুজাবুজিৰ চুক্তিৰ কৰ্মসূচীৰ অধীনত এই চুক্তিৰ জৰিয়তে জীৱাণুসাৰ আৰু জৈৱিক কীটনাশকৰ বাণিজ্যিক উৎপাদন হ'ব আৰু ইয়াৰ জৰিয়তে কৃষক লাভাৱান্বিত হ'ব। বিশেষকৈ প্ৰাকৃতিক কৃষি আৰু জৈৱিক কৃষিৰ ক্ষেত্ৰত এই চুক্তিৰ জৰিয়তে কৃষক যথেষ্ট উপকৃত হ'ব। এই চুক্তি স্বাক্ষৰ অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ সহযোগী কৃষি গৱেষণা সঞ্চালক ড: মৃণাল শইকীয়াৰ লগতে কেবাজনো বিজ্ঞানীয়ে অংশগ্ৰহণ কৰে।

## ৫ বছৰত ৫০ হাজাৰ কোটি বিনিয়োগ, ৰাটাৰ মেট্ৰ’ প্ৰকল্প

# কাজিৰঙাত আভ্যন্তৰীণ জল পৰিবহণৰ বৈঠক

**ই-সংবাদ, ১০ জানুৱাৰীঃ** অসমৰ সাংসদ তথা কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৃষ্ঠপোষকতাত কাজিৰঙাত অনুষ্ঠিত হৈছে আভ্যন্তৰীণ জল পৰিবহনৰ বিশেষ বৈঠক। ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ আয়োজন কৰা বৈঠক আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে। বিভাগীয় কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত কেবাখনো ৰাজ্যৰ আভ্যন্তৰীণ জল পৰিবহন মন্ত্ৰী উপস্থিত থাকে। কেন্দ্ৰীয় ৰাজ্যিক বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী শান্তনু ঠাকুৰ, অসমৰ পৰিবহণ মন্ত্ৰী যোগেন মহন, মণিপুৰৰ পৰিবহণ মন্ত্ৰী খাছিম ভাশুম, গোৱাৰ বন্দৰ মন্ত্ৰী এলেক্স ছেকুৰেৰা, জম্মু-কাশ্মীৰৰ পৰিবহণ মন্ত্ৰী সতীশ শৰ্মা, মিজোৰামৰ পৰিবহণ মন্ত্ৰী বনলাহলানা, অৰুণাচলৰ পৰিবহণ মন্ত্ৰী অজিং টেছিং উপস্থিত থাকে। এই বৈঠকত মূলত নদীপৰীয়া লোকৰ জীৱন ধাৰণ আৰু নদী পথ সংযোগৰ ফলত বেহা-বেপাৰ কেনেদৰে বৃদ্ধি কৰিব পাৰিব সেই বিষয়ত আলোচনা কৰা হয়। ৰাষ্ট্ৰীয় জলপথ সংযোগী মানুহৰ আন্তঃগাঁথনি, বাণিজ্য, পৰ্যটনৰ প্ৰচাৰ-প্ৰসাৰ, পাৰদৰ্শিতা, প্ৰশিক্ষণ, নদীৰ ইতিহাস আদিৰ বিষয়তো আলোচনা কৰা হয়। সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে গুৰুত্বপূৰ্ণ বৈঠকখন। গুৰুত্বপূৰ্ণ বৈঠকখন আয়োজন কৰাত মুখ্যমন্ত্ৰীয়ে সৰ্বানন্দ সোণোৱালক কৃতজ্ঞতা জ্ঞাপন কৰে। নৰেন্দ্ৰ মোদীৰ এক্ট ইষ্ট নীতি আৰু পৰিবহণৰ জৰিয়তে পৰিৱৰ্তনৰ দৃষ্টিভংগীৰ সামঞ্জস্যতা সম্পৰ্কে গুৰুত্ব পাব বুলি কয় মুখ্যমন্ত্ৰীয়ে। বৈঠকত জলপথ আৰু নদীকেন্দ্ৰিক অৰ্থনীতি বৃদ্ধিৰ বাবে ১৪০০ কোটি টকা ব্যয়েৰে প্ৰকল্প আৰম্ভ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। দেশৰ জল পথ সংযোগ কৰিব পৰা ২১ ৰাজ্যৰ আভ্যন্তৰীণ জলপথ খণ্ডত ১,৪০০ কোটি টকা ব্যয় কৰা হ’ব। উত্তৰ-পূবৰ লগতে আন আন ৰাজ্যত অৰ্থনৈতিক বিকাশৰ বাবে অসমৰ জলপথ পুনৰুজ্জীৱিত কৰা, নেভিগেশ্বন বৃদ্ধি আৰু বান হ্ৰাসৰ বাবে অধিক ড্ৰেজাৰ ক্ৰয় কৰা প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীৰ শ্ল’গান ‘বিকশিত ভাৰত’ নিৰ্মাণত জলপথৰ ভূমিকাক ত্বৰান্বিত কৰাৰ সংকল্প গ্ৰহণ কৰে। বৈঠকত দেশৰ আভ্যন্তৰীণ জলপথৰ বিকাশৰ বাবে অনাগত ৫ বছৰত ৫০ হাজাৰ কোটি টকা বিনিয়োগ সিদ্ধান্ত লোৱাৰ কথা ঘোষণা কৰা হৈছে। সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত আঞ্চলিক উৎকৰ্ষতাৰ কেন্দ্ৰ স্থাপন, গুৱাহাটী আৰু দেশৰ আন ১৫ খন মুখ্য চহৰত ৰাটাৰ মেট্ৰ' প্ৰকল্পৰ কথা ঘোষণা কৰে। ২০৩০ চনৰ ভিতৰত ব্ৰহ্মপুত্ৰ সংযোগী ৰাষ্ট্ৰীয় জলপথ-২, বৰাক সংযোগী ৰাষ্ট্ৰীয় জলপথ-১৬ আৰু ভাৰত-বাংলাদেশ জলপথৰ উন্নয়নৰ বাবে ৩ হাজাৰ কোটি টকা বিনিয়োগৰ কথাও ঘোষণা কৰে সোণোৱালে। লগতে সোণোৱালে কয় যে বিভিন্ন ৰাজ্যত ৬২টা নতুন জেটি, ৰাষ্ট্ৰীয় জলপথত কুইক পন্টুন অপেনিং মেকানিজম স্থাপন কৰা হ’ব। নতুন ৰাষ্ট্ৰীয় জলপথ উন্নয়ন আৰু সেউজ জাহাজ পৰিবহণৰ বাবে ২৩ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। বিগত ১০ বছৰত দেশৰ আভ্যন্তৰীণ জলপথ ক্ষেত্ৰত পৰিৱৰ্তন হৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জলপথক সম্ভাৱনাৰে ৰূপান্তৰিত কৰা হৈছে। ২০১৪ চনলৈকে আমাৰ দেশৰ জলপথেৰে সামগ্ৰী পৰিচালনাৰ পৰিমাণ আছিল কেৱল ১৮.১ মেট্ৰিক টন। ২০১৪ চনৰ পাছত পৰিমাণ ১৩৩ মিলিয়ন টনলৈ বৃদ্ধি পাইছে। ২০১৪ চনলৈ ১৫০০ কোটি টকা বিনিয়োগ হোৱাৰ বিপৰীতে মোদী চৰকাৰে ২০২৪ চনলৈ ৭ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰিছে। ডিব্ৰুগড়ৰ ঐতিহ্য ভৱন নিৰ্মাণ, অসমৰ ৪টা স্থানত পৰ্যটক টাৰ্মিনেল পুনৰ নিৰ্মাণ, ডিব্ৰুগড়ৰ উৎকৰ্ষ কেন্দ্ৰ নিৰ্মাণ, পাণ্ডু জাহাজ মেৰামতি কেন্দ্ৰ-পাণ্ডু বন্দৰ সংযোগী পথ নিৰ্মাণ, বৰাক নদী, ব্ৰহ্মপুত্ৰত চলাচলৰ বাবে ১২ খন জাহাজ ক্ৰয় কৰা হ’ব বুলি জানিব পৰা গৈছে।

# শিৱসাগৰত দিন-দুপৰতে পিস্তল দেখুৱাই লুটি নিলে নগদ ধন, আ-অলংকাৰ

**ই-সংবাদ, শিৱসাগৰ, ১০ জানুৱাৰীঃ** শিৱসাগৰৰ জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত শলগুৰিত আজি দিন দুপৰতে চাঞ্চল্যকৰ ডকাইটি কাণ্ড সংঘটিত হয়। আৰক্ষীৰ ফোপোলা স্বৰূপ উদঙাই শলগুৰি তিনিআলিৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জয়ৰাম নাথৰ বাসগৃহত দুই অস্ত্ৰধাৰী ডকাইতে লুটপাত চলায়। দুজনীয়া পিষ্টলধাৰী ডকাইতে মৃত্যুৰ ভাবুকিৰে লুটি লৈ গ’ল প্ৰায় ২০ লক্ষাধিক টকাৰ মূল্যৰ সোণৰ গহণা, ২০ হেজাৰ নগদ ধন। দুপৰীয়া প্ৰায় ১১ বাজি ২০ মিনিটত সংঘটিত হয় এই ডকাইতি। জয়সাগৰ আৰক্ষী চকীৰ পৰা মাত্ৰ দুই কিলোমিটাৰ নিলগতেই সংঘটিত হয় এই ভয়ংকৰ লুটপাতৰ ঘটনা। স্থানীয় এটা পৰিয়ালৰ বাসগৃহত লাগি থকা চি চি কেমেৰাত আৱদ্ধ হৈছে দুই সন্দেহজনক ডকাইতৰ অৱস্থিতি। ডকাইটি কাণ্ডৰ সময়ত জয়ৰাম নাথৰ জীয়ৰী গায়ত্ৰী নাথ অকলে ঘৰত থকাৰ সময়তে ডকাইটে লুটপাত চলোৱাৰ অভিযোগ দিছে। যুৱতীগৰাকীক ভয়-ভাবুকি দেখাই দুই পিস্তলধাৰী ডকাইতে প্ৰায় ১৫-২০ মিনিট ধৰি লুটপাত চলাই ঘৰটোত। লক্ষণীয় যে অঞ্চলটোত কম দিনৰ ভিতৰতে এনে তিনিটা ডকাইতি কাণ্ড সংঘটিত হৈছে। আৰক্ষীৰ বিৰুদ্ধে হেমাহিৰ অভিযোগ পৰিয়ালৰ লগতে স্থানীয় ৰাইজৰ। ডকাইতৰ দলক চিনাক্তকৰণত ব্যৰ্থ হ’লে আৰক্ষী চকী ঘেৰাও কৰাৰো হুংকাৰ দিছে ৰাইজে। দিন-দুপৰতে সংঘটিত এই ডকাইতিৰ ঘটনাই সমগ্ৰ শিৱসাগৰ চহৰখনতে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে।

# আমনিত নিশা ভয়াৱহ পথ দুৰ্ঘটনাত নিহত ৩ শ্ৰমিক

**ই-সংবাদ, ১০ জানুৱাৰীঃ** কলিয়াবৰৰ আমনিত আজি নিশা প্ৰায় ৯ বজাত এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত নিহত হয় তিনিজনকৈ শ্ৰমিক। জানিব পৰা মতে, ট্ৰাক আৰু শ্ৰমিক কঢ়িয়াই নিয়া টাটা ম'বাইলৰ সংঘৰ্ষৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত পিকআপ ভানখনত কঢ়িয়াই নিয়া যন্ত্ৰ-পাতি উফৰি পৰাৰ লগতে ১৫ জন শ্ৰমিক গুৰুতৰভাৱে আহত হয়। আহতসকলক জখলাবন্ধাৰ কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়ৰ লগতে চামগুৰি, নগাঁও আৰু তেজপুৰলৈ প্ৰেৰণ কৰিছে। ঘটনাৰ বিৱৰণী মতে, মিছাত ছাদ ধালাইৰ কাম কৰি এএছ ০২ বিচি ৮৯৩০ নম্বৰৰ পিকআপ ভানখনৰে ১৮ গৰাকী শ্ৰমিক নগাঁও দিশে গৃহাভিমুখী হোৱাৰ পথত একে দিশে অভিমুখী এএছ ০৭ বিচি ৩৪৫০ নম্বৰৰ ট্ৰাকখনে পিকআপ খনৰ পিছফালে খুন্দিওৱাৰ ফলত পিকআপ ভানখন পথৰ দাতিত বাগৰি পৰে। ফলত দুৰ্ঘটনাটোত ৩ জন শ্ৰমিকৰ মৃত্যু হয়। নিহত তিনিজনক জীয়াৰুল ইছলাম, আছমত আলী, কিবিয়া আলম বুলি জানিব পৰা গৈছে। তিনিওৰে ঘৰ চামগুৰিৰ মোৱামাৰীত। দুৰ্ঘটনাটোৰ ফলত মোৱামাৰী অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# সাংসদ গৌৰৱ গগৈৰ উপস্থিতিত অজাপ নেতা সুৰেশ ভূমিজ কংগ্ৰেছলৈ

**ই-সংবাদ, ডুমডুমা, ১০ জানুৱাৰীঃ** অসম জাতীয় পৰিষদৰ ভগ্নী সংগঠন জাতীয় চাহ শক্তিৰ সভাপতি তথা চাহ নগৰী ডুমডুমাৰ যুৱনেতা সুৰেশ ভূমিজে আজি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তথা বৰ্তমান লোকসভাৰ উপ-দলপতি গৌৰৱ গগৈৰ উপস্থিতিত আনুষ্ঠানিকভাৱে কংগ্ৰেছ দলত যোগদান কৰে। আজি বিয়লি প্ৰায় তিনি বজাত জিলাৰ বিভিন্ন দলীয় কাৰ্যসূচীৰ মাজতে চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিংস্থিত 'উৰুলি' বিবাহ ভৱনত দলীয় কৰ্মকৰ্তা আৰু এলেকাৰ বিভিন্ন অনুষ্ঠান তথা বিশিষ্ট ব্যক্তিসকলক লৈ আয়োজিত এক ৰাজহুৱা সভা আৰু যোগদান কাৰ্যসূচীত যুৱ নেতা সুৰেশ ভূমিজৰ উপৰিও অসম জাতীয় পৰিষদৰ ২০ গৰাকী সদস্যই কংগ্ৰেছ দলত যোগদান কৰে। ডুমডুমা অঞ্চলৰ কেইবা শতাধিক ৰাজনৈতিক আৰু অ-ৰাজনৈতিক লোক উপস্থিত থকা সভাখনত সাংসদ গৌৰৱ গগৈয়ে বৃহত্তৰ ডুমডুমা অঞ্চলৰ প্ৰায় কুৰিৰো অধিক লোকক একোখনকৈ গামোছাৰে কংগ্ৰেছ দললৈ আদৰণি জনাই বৰ্তমান অসমৰ পৰিৱেশ, পৰিস্থিতিত সচেতন ৰাইজক চৰকাৰখনৰ কাম কাজত দৃষ্টি ৰখাৰ লগতে ৰাজ্যত শাসনাধিষ্ঠ বিজেপি চৰকাৰৰ জনবিৰোধী, জাতি বিৰোধী কাম কাজক সমালোচনাৰে উচিত প্ৰত্যুত্তৰ দিবলৈও আহ্বান জনায়। শাসকীয় বিজেপি চৰকাৰখনৰ কাম কাজৰ ওপৰত আলোকপাত কৰি সাংসদ গৌৰৱ গগৈয়ে কয় "আমাৰ ভুল হ'লে আপোনালোকে আমাক আঙুলিয়াই দিয়ক। আমাৰ সাহস আছে তাৰ মুখামুখি হ'বলৈ। কিন্তু এইখন চৰকাৰৰ দিনত ৰাজ্যৰ সাংবাদিকৰ মুখৰ মাত কাঢ়ি নিয়া হৈছে। সাংবাদিকে প্ৰশ্ন সুধিলে জেললৈ পঠিওৱা, অনাহকত মালিকপক্ষৰ কথা টানি আনি সাংবাদিকতাৰ পৰা আঁতৰাই দিয়াৰ ভাবুকি প্ৰদান কৰা দিন চলিছে। কবিতা লিখি জেললৈ যাব লগাত পৰিছে। চৰকাৰী স্কুল বন্ধ কৰি স্কুলৰ দাঁতিত মদৰ দোকান খোলা হৈছে। অসমৰ চুকে-কোণে চৰকাৰী স্কুল বন্ধ কৰি গুৱাহাটীত ফাইভষ্টাৰ স্কুল কোনে খুলিছে আপোনালোকে নিশ্চয় জানে।" সাংসদগৰাকীয়ে ৰাজ্যৰ শিক্ষা ব্যৱস্থাক আঙুলিয়াই কয়, "আমাক নতুন শিক্ষা নীতি লাগে। ল'ৰা-ছোৱালীয়ে নিজ পচন্দৰ বিষয় পঢ়িব পৰা পৰিৱেশ লাগে। চৰকাৰে আঁচনি ঘোষণা কৰিছে অসমৰ জনসাধাৰণৰ পৰা টেক্সলৈ। আঁচনিৰ নামত চৰকাৰে টেক্স লৈ এক শ্ৰেণীৰ লোকক আঁচনিৰ ধন দিছে। ৰাইজৰ টেক্স লোৱা আঁচনিত চৰকাৰৰ কোনো অধিকাৰ নাই। আজি টেক্স সকলোৰে দিয়ে কিন্তু আঁচনি সকলোৰে নাপায়।" সাংসদ গৰাকীয়ে উমৰাংচুৰ শ্ৰমিকৰ দুৰৱস্থা, সমগ্ৰ অসমৰ চাহ শ্ৰমিকৰ দুৰৱস্থাক লৈও শাসকীয় বিজেপি চৰকাৰক একপ্ৰকাৰ থকাসৰকা কৰে। লগতে তেখেতে ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ প্ৰসংগত এই ক্ষেত্ৰত চৰকাৰৰ চৰম অৱহেলাৰ কথা উল্লেখ কৰে। কাকপথাৰ ব্লক কংগ্ৰেছৰ সভাপতি ৰাজেন মেধিৰ সভাপতিত্বত অনুষ্ঠিত আজিৰ সভাত সম্পাদক আজাদ হুছেইনে উদ্দেশ্য ব্যাখ্যা কৰে। আদৰণি ভাষণ প্ৰদান কৰে ১২৫নং ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজে। সভাত ডুমডুমা অঞ্চলৰ কেইবাগৰাকীও প্ৰাক্তন বিজেপিৰ বিষয়ববীয়াসহ বহু লোকে আজি কংগ্ৰেছ দলত যোগদান কৰে। আজিৰ সভাত গৌৰৱ গগৈৰ উপৰিও তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটীৰ সভাপতি জয়ন্ত কলিতা, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক অমিত গগৈ, চাবুৱাৰ প্ৰাক্তন বিধায়ক ৰাজু চাহু, ডুমডুমা সমষ্টিৰ প্ৰাক্তন বিজেপি বিধায়ক দিলীপ মৰাণসহ দলৰ বহু শীৰ্ষ বিষয়ববীয়াৰ লগতে জিলা সমিতিৰ একাংশ বিষয়ববীয়াও উপস্থিত থাকে। আজিৰ সভাতেই ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত আৰু ভাৰপ্ৰাপ্ত সম্পাদক ললিত তাঁতীৰ নেতৃত্বত ক্লাবৰ এটি প্ৰতিনিধি দলে সাংসদ গৌৰৱ গগৈক সাক্ষাৎ কৰি ডাঙৰীৰ পৰা দুৰ্ণীবটীয়া ৰে'ল চলাচল আৰম্ভ কৰাৰ লগতে এই অঞ্চলৰ ৰে'ল সেৱা উন্নত কৰাৰ বিষয়টো সংসদত উত্থাপন কৰিবলৈ অনুৰোধ জনাই সাংসদগৰাকীক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। ইয়াৰ পূৰ্বে গৌৰৱ গগৈক কংগ্ৰেছ দলৰ কৰ্মীসকলে বাইক ৰেলীৰে ডুমডুমালৈ আদৰি অনাৰ লগতে ডুমডুমা ৰাজীৱ ভৱনত দলৰ তৰফৰ পৰা সাংসদগৰাকীক উষ্ম সম্বৰ্ধনা জনায়। উল্লেখ্য যে, ইয়াৰ পূৰ্বে সাংসদ গৌৰৱ গগৈয়ে তৈল নগৰী ডিগবৈৰ মুলিয়াবাৰিস্থিত পৰাগধৰ চলিহা প্ৰেক্ষাগৃহত নৱ নিৰ্মাণ ফাউণ্ডেশ্যনে আয়োজন কৰা "পদধ্বনি" যুৱ মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা অন্তৰংগ আলাপ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। ইফালে, আজিৰ এই সভাৰ পিছতে জিলাখনৰ কংগ্ৰেছ কৰ্মীসকলৰ মাজত দেখা গৈছে ন-উছাহ।

# মাজুলীত জিলা কংগ্ৰেছৰ অৱস্থান ধৰ্মঘট

**ই-সংবাদ, মাজুলী ১০ জানুৱাৰীঃ** সমগ্ৰ অসমৰ লগতে আজি মাজুলী জিলাটো জিলা কংগ্ৰেছৰ উদ্যোগত উজনি আৰু মাজুলী ব্লক কংগ্ৰেছৰ সহযোগত যোৱা ৬ জানুৱাৰীত অসমৰ ডিমা হাচাও জিলাৰ উমৰাংচু তিনকিলোত অবৈধ ৰেট হোল মাইনিঙত কৰ্মৰত অৱস্থাত শ্ৰমিক আৱদ্ধ হৈ মৃত্যুবৰণ কৰা আৰু সন্ধানহীন হৈ থকা ঘটনাৰ প্ৰতিবাদৰ লগতে কয়লা চিণ্ডিকেটৰ চৰ্দাৰৰ নাম ৰাজহুৱা কৰাৰ দাবীত অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ন কৰে। জিলা কংগ্ৰেছে কয় যে, চৰকাৰৰ হাতত অবৈধ কয়লা মাইনিংৰ তথ্য আছে আৰু ইয়াৰ এজন চৰকাৰী পৃষ্ঠপোষকতাৰ নিৰ্দিষ্ট চৰ্দাৰ আছে। সেয়ে সত্যৰ সন্ধানত চৰকাৰে সেই নিৰ্দিষ্ট চৰ্দাৰ জনৰ নাম ৰাজহুৱা কৰি আইনগত শাস্তিৰ বিধান কৰিব লাগে। অৱস্থান ধৰ্মঘটত, কয়লা চিণ্ডিকেটৰ চৰ্দাৰ কোন? অবৈধ চিণ্ডিকেট আৰু কয়লাৰ ৰেট হোল মাইনিং বন্ধ কৰক, সন্ধানহীন শ্ৰমিকক উদ্ধাৰৰ ব্যৱস্থা কৰক, মৃত শ্ৰমিকৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণৰ ব্যৱস্থা কৰক, হিমন্ত বিশ্ব শৰ্মাই পদত্যাগ কৰক আদি দাবী উত্থাপন কৰাৰ লগতে মৃত শ্ৰমিক জনৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। আজিৰ কাৰ্যসূচীত মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি লক্ষ্য গায়ন, প্ৰশাসনিক সাধাৰণ সম্পাদক বিজিত গাম, জিলা কংগ্ৰেছৰ প্ৰশাসানিক সাধাৰণ সম্পাদক দেৱকান্ত দাস, সাংগঠনিক সম্পাদক দিনমনি দত্ত, উপ সভাপতি অমল পূজাৰী, সাধাৰণ সম্পাদক তথা জিলা মিডিয়া বিভাগৰ অধ্যক্ষ প্ৰণৱজ্যোতি বাৰিক, সম্পাদক কমল দাস, অপূৰ্ব দেৱনাথ, সামাজিক মাধ্যমৰ অধ্যক্ষ জীৱেশ্বৰ গাম, ৰাজ্যিক যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা দিপালী পাটিৰ, ৰাজ্যিক এন.এছ.ইউ.আইৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰিংকু পায়েং, জিলা সভাপতি অমিয় পগাগ, উজনি মাজুলী ব্লক কংগ্ৰেছৰ উপ সভাপতি শুভাষ পাতিৰ, প্ৰশাসনীক সাধাৰণ সম্পাদক জিতুমনি বৰা, সাংগঠনিক সম্পাদক দেৱৰাজ দেউৰী, অৰূপ কামান, সম্পাদক লিলা দাস, মহিলা কংগ্ৰেছৰ জিলা উপ সভানেত্ৰী মৰমী গায়ন, প্ৰশাসনীক সাধাৰণ সম্পাদিকা সুৰভী বাৰিক, জ্যেষ্ঠ কৰ্মী প্ৰসন্ন গোস্বামী, মাজুলী ব্লক কংগ্ৰেছৰ উপ সভাপতি দেৱজিত বৰা, কমল গাম, মাজুলী ব্লক সেৱাদলৰ প্ৰাক্তন সভাপতি দিপক ঘোষ, গড়মূৰ মণ্ডল কংগ্ৰেছৰ সভাপতি বিপুল ৰাজখোৱা, সাধাৰণ সম্পাদক বিজয় পামেগাম,এচ চি চেলৰ মাজুলী জিলাৰ অধ্যক্ষ থানুৰাম দাস, মাজুলী ব্লকৰ সাধাৰণ সম্পাদক অযোধ্যা দাস, গড়মূৰ মণ্ডলৰ নং ৰ্বাড সভাপতি নন্দ পায়েঙকে ধৰি মাজুলীৰ ভিন্ন প্ৰান্তৰ শীৰ্ষ কংগ্ৰেছ নেতাৰ লগতে কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# মৰিয়নিৰ চেলেংহাটত চুলাই মদৰ অবাধ বেহা

**ই-সংবাদ, মৰিয়নি, ১০ জানুৱাৰীঃ** ৰাজ্যৰ স্মাৰ্ট পুলিচৰ চকুৰ সন্মুখতে এতিয়া চেলেংহাটৰ বিভিন্ন অঞ্চলত চলি আছে অবৈধ চুলাই মদৰ বেহা। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি চেলেংহাট আৰক্ষী চকী তথা টীয়ক আবকাৰী বিভাগৰ জ্ঞাতসাৰেই চলি আছে এই বেহা। চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত নামচেচু, ডালিম, ফুকন চুককে ধৰি বহু কেইটা অঞ্চলত প্ৰস্তুত কৰি অঞ্চলটোৰ ৰাস্তাই ঘাটে থকা বিভিন্ন অবৈধ সুৰাৰ বিপণীলৈ আহে ৰৱবিহ স্বৰূপ চুলাই মদ। আনকি গাভৰু আৰু চেলেং বাগানৰ বস্তিৰ অলিয়ে গলিয়ে সহজ উপলব্ধ চুলাই। নামি-দামী বাইক, স্কুটিত সম্ভ্ৰান্ত লোকৰ দৰে আহি নিৰ্দিষ্ট দোকানত দি যায় এই চুলাই মদ। অন্যহাতে প্ৰাপ্ত তথ্য মতে, ফুকন চুকৰ বহুকেইটা পৰিয়ালত আবকাৰী বিষয়াক মেনেজ কৰি প্ৰস্তুত কৰি আহিছে চুলাই মদ। তেওঁলোকৰ চুলাই মদৰ এজেন্টে ছহিদ কনকলতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ কাষৰে যোৱা নামচেচু পথৰ জনশূন্য ঠাইত অন্য ঠাইৰ পৰা অহা বেপাৰীক চুলাই প্ৰদান কৰে বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে। এই সম্পৰ্কে স্থানীয় কোনোৱে মাত মাতিবলৈ সাহস নকৰে প্ৰভাৱশালী চক্ৰটোৰ বিৰুদ্ধে। স্থানীয় ৰাইজৰ অভিযোগ মতে, এক প্ৰভাৱশালী লোক জড়িত আছে এই চুলাই মদ ব্যৱসায়ৰ লগত। সহজলভ্য মদে এতিয়া নৱ প্ৰজন্মক কোঙা কৰি পেলোৱাৰ লগতে বহু কেইটা পৰিয়াললৈ নামি আহিছে কাল অমানিশা। সৃষ্টি হৈছে ঘৰুৱা কন্দলৰ। কিন্তু চেলেংহাট আৰক্ষী তথা টীয়ক আবকাৰী বিভাগৰ এই ক্ষেত্ৰত নিৰ্লিপ্ত ভূমিকাত ৰহস্যৰ সৃষ্টি কৰিছে সচেতন ৰাইজৰ মাজত। গতিকে এই ক্ষেত্ৰত স্থানীয় ৰাইজে বিভাগীয় ঊৰ্ধতন কৰ্তৃপক্ষৰ লগতে মুখ্যমন্ত্ৰীৰো হস্তক্ষেপ কামনা কৰিছে।

# বৰমাত মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ চেক বিতৰণ কাৰ্যসূচী

**ই-সংবাদ, বৰমা, ১০ জানুৱাৰীঃ** বাক্সা জিলাৰ বৰমাৰ ছোৱালী হাইস্কুল প্ৰেক্ষাগৃহত ৬২নং বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩৯০ গৰাকী ৰোগী আৰু শিক্ষাৰ্থীৰ মাজত মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ চেক বিতৰণ কৰা হয়। এই চেক বিতৰণ কাৰ্যসূচীত বিধায়ক ভূপেন বড়ো, ইউপিপিএলৰ বাক্সা জিলা সম্পাদক দয়াল শৰণীয়াৰ টিছু মণ্ডলৰ বিজেপিৰ সভাপতি গোবিন্দ কলিতাৰ লগতে ভালেসংখ্যক বিজেপি আৰু মিত্ৰজোঁটৰ দলীয় কৰ্মী উপস্থিত থাকে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ জৰিয়তে বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন জটিল ৰোগত আক্ৰান্ত ৰোগীয়ে চিকিৎসাৰ ক্ষেত্ৰত কিছু সকাহ লাভ কৰিব বুলি বিধায়ক ভূপেন বড়োৱে জানিবলৈ দিয়ে।

## ঘটনাৰে জড়িতক শাস্তি প্ৰদানৰ দাবী, চৰকাৰক তীব্ৰ কটাক্ষ

# অবৈধ কয়লাখননৰ বিৰুদ্ধে যোৰহাটত কংগ্ৰেছৰ অৱস্থান ধৰ্মঘট

**ই-সংবাদ, যোৰহাট, ১০ জানুৱাৰীঃ** 'সত্যৰ সন্ধানত কয়লা ছিণ্ডিকেটৰ চৰ্দাৰ কোন?' শীৰ্ষক বাক্য আগত লৈ যোৰহাট কংগ্ৰেছ ভৱনত একাধিক কংগ্ৰেছ কৰ্মীয়ে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ আহ্বান মানি প্ৰতিবাদ সাব্যস্ত কৰে যোৰহাট জিলা কংগ্ৰেছে। উমৰাংছ'ৰ অবৈধ খনন সন্দৰ্ভত এই অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে কংগ্ৰেছ দলে। কয়লাৰ লগতে অবৈধ শিল, বালি আৰু বাৰ্মিজ ছুপাৰিৰ অবৈধ বেহা বন্ধ কৰাৰ দাবীত এই অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়িত কৰে। কয়লা খনন কৰিলে সেয়া বিজ্ঞানসন্মত তথা পদ্ধতিগতভাৱে কৰাৰ দাবী জনায় যোৰহাটৰ কংগ্ৰেছ কৰ্মীসকলে।




মাজুলীত জিলা কংগ্ৰেছৰ অৱস্থান ধৰ্মঘট, ফটোঃ ই-সংবাদ, মাজুলী

# বিশিষ্ট সংগীতজ্ঞ, সংগীতপ্ৰাণ ইন্দ্ৰেশ্বৰ শৰ্মাৰ জন্মদিন উপলক্ষে স্মৃতিচাৰণ সভা

**ই-সংবাদ, যোৰহাট, ১০ জানুৱাৰীঃ** অসমৰ বিশিষ্ট সংগীতজ্ঞ, সংগীত প্ৰাণ ইন্দ্ৰেশ্বৰ শৰ্মাৰ ৯৬ সংখ্যক জন্মদিন উপলক্ষে যোৰহাট সংগীত বিদ্যালয়ত অনুষ্ঠিত কৰা হয় এখনি স্মৃতিচাৰণ সভা। সংগীত প্ৰাণ ইন্দ্ৰেশ্বৰ শৰ্মাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি বন্তি প্ৰজ্বলন কৰে অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী আৰু অমিয়া দেৱীয়ে। যোৰহাট সংগীত বিদ্যালয়ৰ অধ্যক্ষ ড০ কৰুণা কান্ত শৰ্মাই আঁত ধৰা অনুষ্ঠানটো গীতে-মাতে জীপাল হৈ পৰে। যোৰহাট সংগীত বিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা ড০ বসন্ত কুমাৰ গোস্বামীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই বিশেষ দিনটোতে কানাডা প্ৰবাসী যোৰহাটৰ দেৱাঞ্জন বৰঠাকুৰৰ এখনি গ্ৰন্থ 'এটা ক'লা ছাতি আৰু এজন বগা মানুহ' উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে। গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকে জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ বিমল বৰা, বিশিষ্টা শিক্ষাবিদ, লেখিকা তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ অদিতি বেজবৰুৱা, বিমান চন্দ্ৰ বৰা, অমল ভৰালী। চিন্তাগধুৰ এলানি প্ৰবন্ধ সংকলনখনৰ উন্মোচনী সভাত কানাডাৰ পৰা অনলাইনযোগে উপস্থিত থাকে গ্ৰন্থখনৰ লেখক গৱেষক, শিক্ষক, লেখক দেৱাঞ্জন বৰঠাকুৰ।

# অনুদান লাভৰ পাছতো আজিও অনাদৃত ঐতিহাসিক হাউলীৰ ঘিলাঝাৰী সত্ৰ

**ই-সংবাদ, বৰপেটাৰোড, ১০ জানুৱাৰীঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু কোঁচ ৰজা নৰনাৰায়ণৰ প্ৰথম মিলনস্থলী হাউলীৰ গৌৰৱময় ইতিহাসৰ স্বাক্ষৰ বহনকাৰী ঐতিহাসিক ঘিলাঝাৰী সত্ৰৰ নিৰ্মাণ আজিলৈ সম্পূৰ্ণ হোৱা নাই। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু কোঁচ ৰজা নৰনাৰায়ণৰ প্ৰথম মিলনস্থলী হাউলীৰ গৌৰৱময় ইতিহাসৰ স্বাক্ষৰ বহনকাৰী ঐতিহাসিক ঘিলাঝাৰী সত্ৰৰ পুনৰ নিৰ্মাণ কাৰ্য আজিলৈ সম্পূৰ্ণ নোহোৱাত অঞ্চলটোৰ সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে, অসম চৰকাৰে প্ৰযোজ্য কৰা 'অসম দৰ্শন' আঁচনিৰ অধীনত সত্ৰখনৰ নামঘৰ নিৰ্মাণৰ বাবে পূৰ্বৰ সৰ্বানন্দ সোণোৱালৰ চৰকাৰৰ দিনতেই অসমৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ লগতে ঘিলাঝাৰী সত্ৰ লৈও ১০ লাখ টকাৰ অনুদান আগবঢ়োৱা হৈছিল। অতি আশ্চৰ্যজনক আৰু পৰিতাপৰ বিষয় যে, ২০২০ চনতে অনুদান লাভ কৰাৰ পিছতো সত্ৰখনৰ নামঘৰৰ নিৰ্মাণকাৰ্যৰ বাবে আগবঢ়োৱা ধন মুকলি হোৱাৰ পিছতো নিৰ্মাণ আজিলৈ সম্পূৰ্ণ হৈ নুঠিল। সচেতন মহলে অতি সোনকালে নিৰ্মাণ সম্পূৰ্ণ কৰি সত্ৰখনক পূৰ্ণপৰ্যায়ৰ সত্ৰৰূপে গঢ়ি তোলাৰ বাবে বৰপেটা জিলা প্ৰশাসনক আহ্বান জনাইছে।

## কেৰিয়াৰ পৰামৰ্শদাতা ড০ বুলজিৎ বুঢ়াগোহাঁইৰ পৰামৰ্শ

# কটন কলেজিয়েট চৰকাৰী উঃ মাঃ বিদ্যালয়ত কেৰিয়াৰ সজাগতামূলক সভা

**ই-সংবাদ, গুৱাহাটী, ১০ জানুৱাৰী:** অসম ডন বস্ক' বিশ্ববিদ্যালয় প্ৰযুক্তি বিদ্যাপীঠৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ উদ্যোগত ১০ জানুৱাৰীত দিনৰ ১০.৩০ বজাত কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন কেৰিয়াৰ সজাগতা সভা অনুষ্ঠিত হয়। কেৰিয়াৰ সজাগতা সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডন বস্ক' বিশ্ববিদ্যালয় প্ৰযুক্তি বিদ্যাপীঠৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী ড০ বুলজিৎ বুঢ়াগোহাঁই আৰু সহকাৰী অধ্যাপক প্ৰাঞ্জল শৰ্মা। ড০ বুঢ়াগোহাঁয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত শিক্ষাৰ্থীসকলে আই.টি.আই.ৰ বিভিন্ন ট্ৰেড, পলিটেকনিকৰ তিনি বছৰীয়া ডিপ্লমাৰ বিভিন্ন পাঠ্যক্ৰম আৰু উচ্চতৰ মাধ্যমিকত শাখা তথা বিষয় নিৰ্বাচন কেনেকৈ কৰিব লাগে সেই বিষয়ে বিষদ বাখ্যা আগবঢ়ায়। কলা, বিজ্ঞান বা বাণিজ্য যিকোনো শাখাৰ পাঠ্যক্ৰমতে ভালদৰে উত্তীৰ্ণ হৈ শিক্ষাৰ্থীসকলে নিজৰ দক্ষতা প্ৰকাশ কৰিব পাৰিলে সংস্থাপনৰ সুবিধা লাভ কৰিব পাৰে বুলি উল্লেখ কৰে। ব্যক্তিত্বৰ লগতে নিজৰ ৰাপ , পাৰদৰ্শিতা অনুসৰি শিক্ষাৰ্থী সকলে কেৰিয়াৰ নিৰ্বাচন কৰিলে সুফল লাভ কৰিব পাৰে বুলি জানিবলৈ দিয়ে। ড০ বুঢ়াগোহাঁয়ে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা নিযুক্তিৰ বাবে আয়োজন কৰা সাক্ষাৎকাৰবোৰত সাধাৰণ জ্ঞানৰ প্ৰয়োজনীয়তাৰ বিষয়েও উল্লেখ কৰে। শিক্ষাৰ্থীসকলে সাম্প্ৰতিক ঘটনা প্ৰবাহৰ জ্ঞান আহৰণ কৰিবৰ বাবে দৈনিক বাতৰি কাকত তথা আলোচনীৰ নিয়মীয়াকৈ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগিব বুলি উল্লেখ কৰে। সেইদৰে নিয়মীয়াকৈ ৰেডিঅ'ৰ বাতৰি অনুষ্ঠান শুনি আৰু টেলিভিছনৰ বাতৰি অনুষ্ঠানবোৰৰ পৰা আহৰণ কৰা জ্ঞানবোৰ লিপিবদ্ধ কৰি ৰাখিবলৈ ড০ বুলজিৎ বুঢ়াগোহাঁয়ে শিক্ষাৰ্থীসকলক পৰামৰ্শ দিয়ে । কেৰিয়াৰ পৰামৰ্শদাতাগৰাকীয়ে



শিক্ষাৰ্থীসকলৰ বিভিন্ন প্ৰশ্নৰ সমিধান আগবঢ়োৱাৰ লগতে প্ৰতি শনিবাৰে বিয়লি ৬বজাৰৰ পৰা ৯বজালৈ ফোনযোগে (৯৪৩৫১৮৮৬৩০) আগবঢ়োৱা কেৰিয়াৰ পৰামৰ্শৰ বিষয়েও অৱগত কৰে। কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰীতা বসুমতাৰী আৰু আন শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থকা কেৰিয়াৰ সজাগতা সভাখনত আনজন সমল ব্যক্তি প্ৰাঞ্জল শৰ্মাই শিক্ষাৰ্থীসকলৰ হবিৰ গুৰুত্ব উল্লেখ কৰি কয় যে যে এগৰাকী ব্যক্তিৰ হবি কেৱল মনোৰঞ্জন বা অৱসৰৰ সময়ত কৰা কাম নহয়, বৰঞ্চ সেয়া জীৱন-জীৱিকাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তদুপৰি, শৰ্মাই অসম ডন বস্ক'বিশ্ববিদ্যালয়ে আগবঢ়োৱা বিভিন্ন পাঠ্যক্ৰম - অভিযান্ত্ৰিক, কলা, বাণিজ্য, বিজ্ঞান, ব্যৱস্থাপনা, ফাৰ্মাচী আদি বিভিন্ন বিভাগৰ স্নাতক, স্নাতকোত্তৰ, আৰু পি.এইচ.ডি. পাঠ্যক্ৰমবোৰৰ বিষয়ে উল্লেখ কৰে। সভাখনৰ পৰা শিক্ষাৰ্থীসকলে বিশেষভাৱে উপকৃত হোৱা বুলি মন্তব্য প্ৰকাশ কৰে।

# গেলেকীৰ প্ৰাক-প্ৰাথমিক শিক্ষানুষ্ঠান HELLO KIDZৰ বঁটা বিতৰণী অনুষ্ঠান



**ই-সংবাদ, গেলেকী, ১০ জানুৱাৰীঃ** শিশুৰ শিক্ষাৰ পৰ্যায় আৰম্ভ হয় ৬ বছৰ বয়সৰ আগৰ বয়সছোৱাত। বিশেষকৈ ৩ বছৰ বয়সৰ পৰা ৬ বছৰ বয়সৰ সময়ছোৱাত শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশ দ্ৰুত গতিত সাধিত হ'বলৈ ধৰে। সেয়ে এই সময়ছোৱাত শিশুৰ বিশেষ যতন তথা তত্বাৱধান লোৱাটো অতি জৰুৰী। এই প্ৰয়োজনীয়তা অনুভৱ কৰিয়েই বিগত বৰ্ষত গেলেকীৰ ১ নং জি জি এছৰ সমীপত এখনি প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ শিক্ষানুষ্ঠান মুকলি কৰা হয়। নাম দিয়া হয় HELLO KIDZ। বৃহত্তৰ গেলেকী অঞ্চলৰ বহু শিশুৱে অধ্যয়ন কৰিব পাৰিব এই শিক্ষানুষ্ঠাখনিত। শিক্ষানুষ্ঠানখনিত খেল-ধেমালিৰ স্তৰ, নাৰ্চাৰী, মুকুল আৰু অংকুৰ শ্ৰেণীৰ শিক্ষাৰ দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীৰ শাৰিৰীক আৰু মানসিক বিকাশৰ বাবে বিভিন্ন খেল-ধেমালিৰ ব্যৱস্থা কৰা হৈছে উন্নত মানৰ খেলৰ সামগ্ৰীৰ লগতে পদ্ধতিৰ যোগেদি। এই অনুষ্ঠানখনতে কণকণ ছাত্ৰ-ছাত্ৰীৰ মাজত বিগত তিনিদিন ধৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। লগতে অভিভাৱিকাসকলৰ মাজতো বিভিন্ন সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি এই প্ৰতিযোগিতাৰ বিজয়ীৰসকলৰ মাজত পুৰস্কাৰ বিতৰণৰ বাবে এখন সভা অনুষ্ঠিত কৰা হয়। সভাত ভালেকেইগৰাকী শিশুক তেওঁলোকে দেখুওৱা পাৰদৰ্শিতাৰ বাবে পুৰস্কাৰ প্ৰদান কৰা হয় লগতে অভিভাৱিকাসকলৰ মাজতো উদনিমূলক পুৰস্কাৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ চম্পা বৰুৱাৰ লগতে গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৰাহিদ আলী।

# বগৰীবাৰী আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ অবৈধ শাল কাঠৰ কুণ্ডা জব্দ

**ই-সংবাদ, পৰ্বতঝোৰা, ১০ জানুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত জলাবিলাত কালি বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ঋষিকেষ দাসৰ নেতৃত্বত চলোৱা এক অভিযানত বৃহৎ পৰিমাণৰ শাল কাঠৰ কুণ্ডা অবৈধভাৱে কাঠ ফলা মিলত ফালি থকা অৱস্থাত জব্দ কৰা হয়। জানিব পৰা মতে, পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হৃষিকেশ দাসৰ নেতৃত্বত আৰক্ষীৰ এটা দলে এক গোপন খবৰৰ ভিত্তিত অভিযান চলাই চৰকাৰীভাৱে নবীকৰণৰ ম্যাদ উকলা কাঠৰ মিলত কোনো ধৰণৰ চৰকাৰী অনুমতি নোলোৱাকৈ বৃহৎ পৰিমাণৰ অপৈনত শাল কাঠকে ধৰি আন আন কাঠৰ কুণ্ডাসমূহ ফালি থকা অৱস্থাত জব্দ কৰে। এই অভিযান কালত অবৈধভাৱে কাঠ ফালি থকা কাণ্ডৰ লগত জড়িতসকলে আৰক্ষী অহাৰ উমান পাই ঘটনাস্থলীৰ পৰা পলায়ন কৰে। পিছত বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হৃষিকেশ দাসে ঘটনস্থলীৰ নাতি দূৰত থকা বন বিভাগক জব্দ কৰা কাঠৰ কুণ্ডাৰ লগতে কাঠফলা মিলৰ আন আন সামগ্ৰীসমূহ চমজাই দিয়ে। উল্লেখ্য যে, অবৈধভাৱে কাঠৰ কুণ্ডা ফালি থকা স্থানৰ পৰা কিছু আঁতৰত খোৰাঘাট বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় থকা সত্বেও বন বিভাগৰ কৰণীয় কামখিনি বগৰীবাৰী আৰক্ষীয়ে কাঠৰ অবৈধ কাৰবাৰ চলি থকাৰ ক্ষেত্ৰত চকু দিব লগা হোৱাত সচেতন মহলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনাহাতে, আৰক্ষী জব্দ কৰা কাঠৰ কুণ্ডাসমূহ বৰ্তমান খোৰাঘাট বনাঞ্চলিক বিষয়াৰ কাৰ্যলয়লৈ অনা হৈছে বুলি খোৰাঘাট বানাঞ্চলিক বিষয়া সাহানুৰ আলমে জানিবলৈ দিয়ে। লগতে চৰকাৰীভাৱে নবীকৰণ নকৰা তথা ম্যাদ উকলি যোৱা কাঠ ফলা মিলটো সেই স্থানত তদাৰকত ৰখা হৈছে বুলি বন বিষয়াজনে জানিবলৈ দিয়ে।



আৰক্ষীয়ে জব্দ কৰা কাঠৰ কুণ্ডা

## ভোগালীৰ প্ৰাকক্ষণত ৰাজপথত সন্ত্ৰাস চলোৱা চালক সাৱধান!

# ৰাজপথত সন্ত্ৰাস চলোৱা চালকৰ বিৰুদ্ধে কামৰূপত সজাগতা অভিযান

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১০ জানুৱাৰীঃ** সমাগত ভোগালী বিহু। ভোগালীৰ প্ৰাক মুহূৰ্তত কামৰূপ জিলাত আয়োজন কৰা হয় পথ সজাগতা অভিযান। উৎসৱৰ নামত একাংশ উদণ্ড চালকে ৰাজপথত চলোৱা সন্ত্ৰাসৰ বিৰুদ্ধে আয়োজন কৰা হয় এই পথ সজাগতা অভিযান। এই পথ সজাগতা অভিযানৰ অধীনত প্ৰায় ৩০ কিলোমিটাৰ জোৱা বাইক ৰেলীত তিনি শতাধিক চালকৰে উলিওৱা হয় এক বিশাল ৰেলী। এই বিশাল ৰেলীত অংশগ্ৰহণ কৰা প্ৰতিখন বাহনত বেনাৰ, ফেষ্টুন লগাই ৰাইজক সজাগ কৰাৰ প্ৰয়াস চলায় কামৰূপ জিলা পৰিবহণ বিভাগ আৰু কামৰূপ পথ সুৰক্ষা সমিতিয়ে। এই বিশাল ৰেলীৰ ফ্লেগ অফ কৰে কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। আয়ুক্তগৰাকীৰ লগত থাকে কামৰূপ পৰিবহণ বিষয়া মনোজ চৌধুৰী, কামৰূপ আৰক্ষী অধীক্ষক ৰঞ্জন ভুঞা। পথ সুৰক্ষা জীৱন ৰক্ষা শ্ল'গানেৰে আৰম্ভ হয় এই সজাগতা অভিযান। ৩১ জানুৱাৰীৰলৈ চলিব এই ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ লগত সংগতি থকা সজাগতা অভিযান।

# কেন্দ্ৰীয় মন্ত্ৰী তোখন চাহুৰ খাৰুপেটীয়াৰ চৰকাৰী আঁচনি পৰিদৰ্শন



**ই-সংবাদ, খাৰুপেটীয়া, ১০ জানুৱাৰীঃ** দৰঙৰ খাৰুপেটীয়াত আজি উপস্থিত হয় কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী তোখন চাহু। পুৱা ১০ বজাত খাৰুপেটীয়াত ভাৰত চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰীগৰাকী উপস্থিত হৈ খাৰুপেটীয়াৰ নগৰৰ ১০ নং ৱাৰ্ডৰ প্ৰদীপ সাহাৰ চৰকাৰী গৃহ পৰিদৰ্শন কৰে। ইয়াৰ পিছত খাৰুপেটীয়া পৌৰ সভাৰ কাৰ্যালয়ত উপস্থিত হৈ আত্মসহায়ক গোটৰ মহিলাসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বিভিন্ন আত্মসহায়ক গোটৰ মহিলাসকলে হাতেৰে বনোৱা ভিন্ন ধৰণৰ থলুৱা সা-সামগ্ৰীসমূহ মন্ত্ৰীগৰাকীৰ সন্মুখত প্ৰদৰ্শন কৰে। মন্ত্ৰীগৰাকীৰ খাৰুপেটীয়া ভ্ৰমণ কালত উপস্থিত থাকে দৰং জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ লগতে খাৰুপেটীয়া পৌৰসভাৰ পৌৰনেত্ৰী কৃষ্ণা সাহা, ৱাৰ্ড কমিছনাৰসকল আৰু বিজেপিৰ কেইবাজনো নেতা। উল্লেখ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিছে মন্ত্ৰীগৰাকী। আজি দৰঙৰ বিভিন্ন স্থান ভ্ৰমণ কৰি মন্ত্ৰীগৰাকীয়ে ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ কাম-কাজক লৈ সাংবাদিকৰ আগত সন্তুষ্টি প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰৰ সমগ্ৰ আঁচনিৰ বুজ লোৱা আৰু আঁচনিসমূহ প্ৰকৃত হিতাধিকাৰীয়ে পাইছে নে নাই তাৰ বুজ ল'বলৈ মন্ত্ৰীগৰাকী অসমত উপস্থিত হোৱা বুলি জানিব পৰা গৈছে।

# গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত স্থানীয় ৰাইজৰ বিক্ষোভ কাৰ্যসূচী

**ই-সংবাদ, গেলেকী, ১০ জানুৱাৰীঃ** গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গেলেকীৰ মাজেৰে বৈ যোৱা দৈখনা, নামদাং ইচৈ আৰু ডেন্সি নদীৰ ভয়াৱহ গৰাখহনীয়া আৰু বানপানীৰ সমস্যা চৰকাৰে ৰোধ কৰিব নোৱাৰাৰ প্ৰতিবাদত গেলেকীত গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত সহযোগ কৰে স্থানীয় বীৰাংগনা মহিলা সমিতি আৰু ৰাইজে। উল্লেখ্য যে উক্ত নদীকেইখনৰ গৰাখহনীয়া আৰু বানপানীৰ সমস্যা চৰকাৰে ৰোধ কৰিব নোৱাৰাৰ ফলত বাৰিষাৰ সময়ত যমৰ-যাতনা ভুগি আহিছে বৃহত্তৰ গেলেকী অঞ্চলৰ ৰাইজে। বিভিন্ন সময়ত এই সন্দৰ্ভত ভুক্তভোগী ৰাইজ তথা দল-সংগঠনে চৰকাৰক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাই আহিছে যদিও এতিয়ালৈকে গা-লৰা নাই চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ। সেয়েহে গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত গেলেকী আঞ্চলিক বীৰাংগনা মহিলা সমিতি আৰু গেলেকীবাসী ৰাইজৰ সহযোগত শুকুৰবাৰে দিনত এক সমদলেৰে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত বিভিন্ন চৰকাৰ বিৰোধী শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে ৰাইজে। ইয়াৰ পিছতো যদি চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে জংগী আন্দোলন কৰাৰ হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে।

# ৰংকেৰ উৎসৱৰ বাবে ব্যাপক আয়োজন কাৰ্বি লোক-সংস্কৃতিৰে উজলি উঠিব বিশ্বনাথৰ কাৰ্বি ব্লক

**ই-সংবাদ, বিশ্বনাথ, ১০ জানুৱাৰীঃ** অসমৰ অন্যতম ভূমিপুত্ৰ কাৰ্বিসকলৰ লোক কৃষ্টি তথা বিশাল সাংস্কৃতিক অনুষ্ঠানৰে জীপাল হৈ পৰিব বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তীৰ কাৰ্বি ব্লক। অহা ১১ আৰু ১২ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে জিলাভিত্তিত ৰংকেৰ উৎসৱ উদযাপনৰ বাবে চলোৱা হৈছে ব্যাপক প্ৰস্তুতি। কাৰ্বি জনগোষ্ঠীৰ কলা-কৃষ্টি-সংস্কৃতিৰ উপাদানসমূহৰ সুশৃংখল চৰ্চা, বিজ্ঞানসন্মত সংৰক্ষণ, ৰংকেৰ পূজাৰ মাহাত্ম্য প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে আয়োজন কৰা হৈছে ৰংকেৰ উৎসৱ। কাৰ্বি সমাজৰ মেটমৰা সাংস্কৃতিক সম্ভাৰেৰে ভৰপূৰ পৰম্পৰাগত ৰীতি-নীতি, লোকাচাৰ তথা আৰ্থ সামাজিক দিশ, স্বগোষ্ঠীয় প্ৰশাসনিক ব্যৱস্থা তথা লুপ্তপ্ৰায় জাতীয় স্বকীয়তাক উদ্ধাৰৰ লগতে বিশ্ব দৰবাৰত ৰংকেৰ উৎসৱক প্ৰতিষ্ঠাৰ মানসেৰে বিভিন্ন সাংস্কৃতিক তথা সামাজিক দিশসমূহক প্ৰতিফলিত কৰিব পৰাকৈ উপস্থাপনৰ প্ৰয়াস কৰিছে আয়োজন সমিতিয়ে। ইতিমধ্যে চাংঘৰ, আটকধুনীয়াকৈ সজা সাঁকো, মূল তোৰণ, মঞ্চ নিৰ্মাণৰ লগতে পৰম্পৰাগত জাতীয় আৰ্থ সামাজিক, সাংস্কৃতিক উপাদানসমূহেৰে সজ্জিত কৰি তুলিছে ৰংকেৰ উৎসৱৰ সমন্বয় থলী।



বিশ্বনাথ জিলা ৰংকেৰ ৰংআজেৰ উদ্যোগত ১৫সংখ্যক ৰংকেৰ উৎসৱ ভাগত পৌৰাণিক পৰম্পৰাগত গীত-নৃত্য প্ৰতিযোগিতাৰ লগতে লুপ্তপ্ৰায় দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। উল্লেখ্য যে ৫ জানুৱাৰীত ৰংকেৰ উৎসৱ উপলক্ষে সীমিত চৰকাৰী বন্ধ দিন ঘোষণা কৰাৰ পাছতেই কাৰ্বি সমাজ উৎফুল্লিত পৰে। অৱশ্যে ৰংকেৰ উৎসৱ শীতকালীন উৎসৱলৈ পৰিণত হোৱাত ইতিমধ্যে সাৰ্বজনীন ৰূপে প্ৰতিষ্ঠা হোৱাৰ দিশে। কাৰ্বি সমাজৰ পৰম্পৰাগত সাংস্কৃতিক সমাৱেশ ঘটা পাৱৈৰ কাৰ্বি ব্লকত ৰংকেৰ উৎসৱ উপলক্ষে বিৰাজ কৰিছে এক উৎসৱমুখৰ পৰিৱেশ। কাৰ্বি সমাজৰ ডেকা-গাভৰুকে ধৰি সকলো শ্ৰেণীৰ লোকেই অংশগ্ৰহণ কৰা ৰংকেৰ উৎসৱ ভাগত সকলোৰে সহযোগিতা আৰু উপস্থিতিৰ কামনা কৰিছে আয়োজক সমিতিয়ে।

# মৰিগাঁৱৰ প্ৰাথমিক বিদ্যালয়ত কিতাপৰ বৰ্ষ উদযাপন

**ই-সংবাদ, লাহৰীঘাট, ১০ জানুৱাৰীঃ** অসম চৰকাৰে ঘোষণা কৰা কিতাপৰ বৰ্ষ কাৰ্যসূচীৰ লগত সংগতি ৰাখি মৰিগাঁও জিলাত শিক্ষা বিভাগৰ উদ্যোগত চলি থকা কিতাপ পঢ়াৰ আনন্দ কাৰ্যসূচীৰ অধীনত আজি জিলাখনৰ বিদ্যালয়ে বিদ্যালয়ে পুথিভঁৰাল সমৃদ্ধকৰণ অভিযানৰ শুভাৰম্ভ কৰা হয়। অসম চৰকাৰৰ শিক্ষা বিভাগৰ সচিব নাৰয়ণ কোঁৱৰে শুভাৰম্ভ কৰা এই কাৰ্যসূচীত মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া আৰু মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক সমৰ বৰুৱা উপস্থিত থাকে। অসম চৰকাৰৰ শিক্ষা বিভাগৰ সচিব কোঁৱৰে ভাষণ প্ৰসংগত শিশুসকলক পুথি পঢ়ি জ্ঞানৰ ভঁৰাল চহকী কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত শতাধিক অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনৰ পুথিভঁৰাললৈ পুথি, এটা আলমিৰা আগবঢ়াই পুথিভঁৰালটি সমৃদ্ধ কৰি তোলে। মৰিগাঁও জিলাত আৰম্ভ হোৱা কিতাপ পঢ়াৰ এই আন্দোলনটো প্ৰতিখন বিদ্যালয়লৈ নি জিলাখনৰ শিশুসকলক পঢ়াৰ প্ৰতি আকৃষ্ট কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে বুলি মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই ভাষণত উল্লেখ কৰে। উল্লেখ্য যে কিতাপ পঢ়াৰ আনন্দ কাৰ্যসূচীৰ অধীনত জিলাখনৰ বিদ্যালয়সমূহত হাতেলিখা আলোচনী প্ৰকাশ কৰাৰ লগতে আলোচনা চক্ৰকে ধৰি বিভিন্ন শৈক্ষিক কাৰ্যক্ৰম লোৱা হৈছে। ইতিমধ্যে সাত শতাধিক বিদ্যালয়ে প্ৰকাশ কৰা আলোচনীসমূহৰ পৰা শ্ৰেষ্ঠ দহখন বিদ্যালয়ক জিলা পৰ্যায়ৰ এক সভাৰ যোগে পুৰস্কাৰ প্ৰদান কৰা হৈছে। অভিভাৱক, শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত আয়োজিত সভাখনত বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দেৱযানী মহন্তই শলাগৰ শৰাই আগবঢ়ায়।

### ৰহা সমষ্টিৰ ৰাইজক মই আজীৱন মনত ৰাখিমঃ মন্ত্ৰী পীযুষ


# কামপুৰত তিনি আঁচনিৰ আধাৰশিলা মন্ত্ৰী পীযুষ হাজৰিকাৰ



**ই-সংবাদ, কামপুৰ, ১০ জানুৱাৰীঃ** অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই আজি কামপুৰত তিনিখনকৈ আঁচনিৰ আধাৰশিলা স্থাপন তথা কামৰ শুভাৰম্ভ কৰে। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ উপস্থিতিত মন্ত্ৰীগৰাকীয়ে কামপুৰ মাধৱ কন্দলী ক্ষেত্ৰত অসমৰ চাহ জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক উত্তৰণৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা অভিলাষী আঁচনিৰ অন্তৰ্গত 'জগন্নাথ ৰাজহুৱা ভৱন আৰু দক্ষতা বিকাশ কেন্দ্ৰ'ৰ আধাৰশিলা স্থাপন কৰি নিশাৰী নৈৰ বাওঁপাৰৰ গৰুবন্ধাৰ পৰা মাজৰআটি গাঁওলৈ নতুন মথাউৰি নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰে। তদুপৰি মন্ত্ৰীগৰাকীয়ে উক্ত স্থানতে SOPD-G শিতানৰ অধীনত কপিলী নৈৰ গাৰোখুন্দা আৰু বৰচুঙৰ পৰা চাংচকীলৈ নতুন মথাউৰি নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰে। আধাৰশিলা স্থাপনৰ পাছতে কামপুৰৰ মাধৱ কন্দলী ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া ভোগালী উৎসৱৰ মঞ্চত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন উপলক্ষে বঢ়মপুৰত অনুষ্ঠিত কৰা হয় গৌৰৱময় উন্নয়নৰ এটা সপ্তাহ কাৰ্যসূচী। এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰে। মন্ত্ৰী হাজৰীকাই বিজেপি চৰকাৰৰ দিনত সৰ্বতো দিশত উন্নয়ন হোৱাৰ লগতে বানে চিঙি নিয়া মথাউৰিসমূহ জলসম্পদ বিভাগে তাৎক্ষণিকভাৱে মেৰামতি তথা পুনঃনিৰ্মাণত গুৰুত্ব আৰোপ কৰা বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ কয় যে ২০১১ বৰ্ষৰ বিধানসভা নিৰ্বাচনত গাৰোখুন্দা, চাংচকী তথা ৰহা সমষ্টিৰ ৰাইজৰ ভোটৰ বাবে মই বিধায়ক হিচাপে নিৰ্বাচিত হৈছিলো আৰু যাৰ বাবে এই অঞ্চলৰ বাবে সদায় কাম কৰি যোৱাৰ লগতে আজীৱন মনত ৰাখিম। উক্ত সভাত জলসম্পদ বিভাগৰ বিষয়া, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, কামপুৰ মণ্ডল বিজেপিৰ সভাপতি শান্তিৰাম বৰাৰ লগতে অগপ আৰু বিজেপিৰ নেতাসকল উপস্থিত থাকে। ইফালে, সভাত অংশগ্ৰহণৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে বগলাজানত ১৭ কোটি টকা ব্যয় সাপেক্ষে কপিলীৰ বুকুত খহি যোৱা কামপুৰ-ৰহা সংযোগী পথটিৰ শুভাৰম্ভ তথা আধাৰশিলা স্থাপন কৰে।

# XOBDO.ORG-ৰ ২০২৫ চনৰ বাৰ্ষিক সভা সম্পন্ন

**ই-সংবাদ, গুৱাহাটী, ১০ জানুৱাৰীঃ** স্বেচ্ছাসেৱী অনুষ্ঠান XOBDO.ORG ৰ বাৰ্ষিক সভাখন ৮ জানুৱাৰীত গুগল মিটৰ জৰিয়তে অনলাইনত অনুষ্ঠিত হয়। এই সভাখনত অনুষ্ঠানটোৰ মূল সদস্যসকলে উল্লেখযোগ্য কৃতিত্ব আৰু ভৱিষ্যতৰ পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে। সভাখনত ছ'চাইটি পঞ্জীয়ন আইনৰ অধীনত XOBDO.ORGৰ পঞ্জীয়ন নবীকৰণৰ কথা ঘোষণা কৰি আশা প্ৰকাশ কৰে যে এই পঞ্জীয়নে কাৰ্যকৰী বৃদ্ধিৰ বাবে এক শক্তিশালী ভেটি গঢ়ি তুলিব। সদস্যসকলে সৰ্বসন্মতিক্ৰমে নেতৃত্বৰ দলটোক নিশ্চিত কৰে। আনহাতে, অনুষ্ঠানটোৰ কাৰ্যকলাপক আগুৱাই নিয়াৰ বাবে নিজ নিজ পদবী অব্যাহত ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।সভাখনত গ্ৰহণ কৰা মূল প্ৰস্তাৱসমূহৰ হ'ল- অসমীয়া-ইংৰাজী অনলাইন অভিধানখন পৰিশোধন আৰু সম্প্ৰসাৰণৰ পৰিকল্পনা, নতুন শব্দ, শ্ৰাব্য উচ্চাৰণ, আৰু অতিৰিক্ত বৈশিষ্ট্যসমূহ অন্তৰ্ভুক্ত কৰি উন্নীতকৰণ কৰা হ'ব। ব্যৱহাৰকাৰী অভিজ্ঞতা বৃদ্ধি কৰিবলৈ এজন পেছাদাৰী UX ডিজাইনাৰ নিয়োজিত কৰি ৱেবছাইট ব্যৱহাৰযোগ্যতাৰ উন্নত কৰা। "লিটিকাই" বানান-পৰীক্ষক সঁজুলিৰ বিকাশঃ কৃত্ৰিম বুদ্ধিমত্তা আৰু মেচিন লাৰ্নিং ব্যৱহাৰ কৰি এই বানান-পৰীক্ষক সঁজুলি আৰু উন্নত কৰা। সংখ্যা লঘু ভাষাসমূহৰ শব্দসমূহৰ গুণগত মান পৰীক্ষা আৰু তথ্য সম্প্ৰসাৰণৰ বাবে স্থানীয় ভাষীসকলক নিয়োজিত কৰাৰ প্ৰচেষ্টা চলোৱা। অসমীয়া-ইংৰাজী অনুবাদৰ দক্ষতা আৰু উচ্চাৰণৰ বাবে প্ৰমাণপত্ৰ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা। তদুপৰি বিভিন্ন সংবাদ মাধ্যমৰ চেনেল ব্যৱহাৰ কৰি নিয়মীয়া



ৱেবিনাৰ, কৰ্মশালা, আৰু প্ৰচাৰমূলক প্ৰচেষ্টাৰ জৰিয়তে সজাগতা আৰু অংশগ্ৰহণ বৃদ্ধি কৰাৰ লক্ষ্য ৰখা।সভাপতি বিক্ৰম ম. বৰুৱাই ২০২৫ XOBDO.ORG ৰ বাবে এক পৰিৱৰ্তনশীল বছৰ হ'ব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে XOBDO.ORG অসমীয়া আৰু অন্যান্য আঞ্চলিক ভাষাৰ প্ৰসাৰ আৰু সংৰক্ষণৰ বাবে উৎসৰ্গিত এক বেচৰকাৰী অনুষ্ঠান।

# বিহুগীতৰ বিকৃতকৰণ তাৎক্ষণিকভাৱে বন্ধৰ দাবী উত্থাপন প্ৰগতিশীল নাৰী সন্থাৰ

**ই-সংবাদ, বেবেজীয়া, ১০ জানুৱাৰীঃ** শেহতীয়াকৈ অসমীয়াৰ স্বাভিমানস্বৰূপ বিহুগীতৰ নামত এচাম শিল্পীয়ে অসমীয়া জাতীয় ভাষা-সংস্কৃতিক বিকৃত কৰা কাৰ্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ অসম প্ৰগতিশীল নাৰী সন্থাই। সন্থাৰ সভানেত্ৰী ৰাজু বৰুৱা আৰু সম্পাদিকা মৃণালী দেৱীয়ে এক বিবৃতিৰ জৰিয়তে কয় যে শেহতীয়াভাৱে বিহুগীতৰ নামত এচাম শিল্পীয়ে 'তোমাৰে সেইখন দিলে দাং খাব', 'কণী চেঁচা পৰি যায়' আদি ধৰণৰ সস্তীয়া আৰু অশ্লীল গীতত কণ্ঠদান আৰু পৰিৱেশন কৰি অসমীয়াৰ সাংস্কৃতিক মূল্যবোধক তীব্ৰভাৱে ভেঙুচালি কৰিছে। সস্তীয়া জনপ্ৰিয়তাৰ বাবে অসমীয়া ভাষা-সংস্কৃতিক এনেদৰে বিকৃত আৰু অশ্লীলতাৰে উপস্থাপন কৰাৰ অধিকাৰ কাৰোৰে নাই বুলি উল্লেখ কৰি নাৰী সংগঠনটোৰ নেত্ৰীদ্বয়ে লগতে কয় যে এনে সস্তীয়া আৰু অশ্লীল গীতৰ পৰিৱেশনে একপ্ৰকাৰে নাৰী সমাজৰ মৰ্যাদাক অপমানিত কৰে আৰু অসমীয়া ভাষা-সংস্কৃতিক কলুষিত কৰে। সেয়ে এনে গীতসমূহ তাৎক্ষণিকভাৱে বন্ধ কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ সন্থাই চৰকাৰৰ ওচৰত দাবী জনাইছে।

# খাৰুপেটীয়াৰ যোগীপাৰাত ৰাজ্যিক জমিয়তৰ অধিৱেশনৰ প্ৰস্তুতি সম্পূৰ্ণ

**ই-সংবাদ, খাৰুপেটীয়া, ১০ জানুৱাৰীঃ** অসম ৰাজ্যিক জমিয়তে আহলে হাদিছৰ দশম বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। কাইলৈৰ পৰা খাৰুপেটীয়াৰ নিকটৱৰ্তী যোগীপাৰা গাঁৱত দৰং জিলা জমিয়তে আহলে হাদিছ সমিতিৰ উদ্যোগত আৰু যোগীপাৰা মডাৰ্ন ইছলামিক একাডেমীৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হ'ব। অধিৱেশনৰ বাবে ইতিমধ্যে তিনিটাকৈ বৃহদাকাৰৰ পেণ্ডেলৰ কাম, বিভিন্ন জিলাৰ পৰা আহিবলগীয়া প্ৰতিনিধি আৰু ৰাইজৰ খোৱা-লোৱা, থকা-মেলা, শৌচালয় ইত্যাদি যাৱতীয় সুবিধাৰ বাবে কাম সম্পূৰ্ণ হৈছে বুলি অভ্যৰ্থনা সমিতিৰ সভাপতি জালাল উদ্দিন আহমেদ আৰু সম্পাদক মফিদুল ইছলামে জানিবলৈ দিয়ে। অধিৱেশনখনত সমাজত প্ৰচলিত বাল্যবিবাহ, ড্ৰাগছ, মদ আদি অসামাজিক কাৰ্যকলাপ বন্ধ কৰাৰ উপৰি বৰ্তমান নাৰী নিৰ্যাতন, নাৰীৰ অধিকাৰ আৰু নাৰী সমাজত প্ৰচলিত কুসংস্কাৰ আদিৰ ওপৰতো বক্তব্য প্ৰদান কৰিব অতিথিসকলে। যাৰ কাৰণে মহিলাৰসকলৰ বাবে সুকীয়াকৈ প্ৰজেক্টৰৰ জৰিয়তে দেখাৰ সুবিধা কৰা হৈছে। অভ্যৰ্থনা সমিতিয়ে জানিবলৈ দিয়া মতে, অসমৰ বিভিন্ন জিলাৰ হাজাৰ হাজাৰ ইছলাম ধৰ্মাৱলম্বী লোকৰ সমাগম ঘটিব অধিৱেশনখনত। কাৰ্যসূচীৰ প্ৰথম দিনা বিনামূলীয়াভাৱে স্বাস্থ্য পৰীক্ষা, কেন্সাৰ প্ৰতিৰোধ কৰণ আৰু বাল্যবিবাহ, ড্ৰাগছ আদি ৰোধকৰণৰ ওপৰত সজাগতামূলক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। উদ্যোক্তাসকলে অধিৱেশনখন সাফল্য মণ্ডিত কৰিবলৈ সকলো ইছলাম ধৰ্মাৱলম্বী লোকৰ সহায়-সহযোগিতাৰ কামনা কৰিছে।

# হাজৰিকাপাৰাত ভোগালী বিহুৰ ব্যাপক আয়োজন

**ই-সংবাদ, ছিপাঝাৰ, ১০ জানুৱাৰীঃ** দৰং জিলাৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান ঢোপৰতলৰ শংকৰজ্যোতি কৃষ্টি সংঘৰ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে এই বৰ্ষতো অহা ১৪ আৰু ১৫ জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ভোগালী বিহু উদযাপনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। সেই উপলক্ষে সংঘৰ সম্পাদক পৱন কলিতাই সদৰি কৰা অনুসৰি, প্ৰথম দিনা পুৱা সংঘৰ সদস্যবৃন্দৰ দ্বাৰা পৰিৱেশ নিকাকৰণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছত ক্ৰমে সংঘৰ সভাপতি ধনপতি কলিতাৰ দ্বাৰা সংঘৰ পতাকা উত্তোলন, অসম বিদ্যুৎ বিতৰণ কোম্পানীৰ অৱসৰপ্ৰাপ্ত সহকাৰী মহাপ্ৰবন্ধক মনোৰঞ্জন শইকীয়াৰ দ্বাৰা বিহুৰ পতাকা উত্তোলন, অৱসৰপ্ৰাপ্ত বেংক কৰ্মচাৰী দিনমণি চহৰীয়া আৰু সমাজকৰ্মী ধৰণী চহৰীয়াৰ দ্বাৰা গছপুলি ৰোপণ, ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক শিৱ প্ৰসাদ শৰ্মাৰ দ্বাৰা বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰা হ'ব। তাৰ পিছত কুইজ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা আৰু স্মৃতি পৰীক্ষা অনুষ্ঠিত হ'ব। একেদৰে সন্ধিয়া বৰদৌলগুৰি হাইস্কুলৰ শিক্ষক মুকুট শৰ্মা বৰুৱাই বন্তি প্ৰজ্বলন কৰিব। নিশা বৰথেকেৰাবাৰীৰ বিশিষ্ট সমাজকৰ্মী তথা হাস্যৰসিক ব্যক্তি টংকেশ্বৰ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হ'ব গীত-মাত-সংলাপ-কৌতুক-অভিনয়েৰে সমৃদ্ধ ‘হেঁপাহৰ গধূলি’ শীৰ্ষক এটি মনোৰঞ্জনধৰ্মী অনুষ্ঠান। গুৱাহাটীস্থিত আৰ জি বৰুৱা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ জয়ন্ত কুমাৰ ডেকাই উদ্বোধন কৰিবলগীয়া অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব প্ৰাক্তন ৰাজহ মন্ত্ৰী ড০ জয়নাথ শৰ্মা। অনুষ্ঠানত নিয়মীয়া বাৰ্তা কাকতৰ টংলাৰ সাংবাদিক তথা বিশিষ্ট কৌতুক অভিনেতা বাপন শৰ্মাই কৌতুক পৰিৱেশন কৰিব। আনহাতে, দ্বিতীয় দিনা পুৱা অনুষ্ঠিত হ'ব নগদ ধন সম্বলিত এক মাৰাথন প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব অসম আৰক্ষীৰ কৰ্মচাৰী মোজাহিদুল ইছলামে। ইয়াৰ পিছত ছিপাঝাৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ দ্বাৰা উদ্বোধন কৰা হ'ব নগদ ধনৰ পুৰস্কাৰ সম্বলিত ভেশচন প্ৰতিযোগিতা। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী আয়ুক্ত মুকুট শৰ্মাৰ দ্বাৰা মঞ্চ উদ্বোধন কৰা হ'ব। আবেলি অনুষ্ঠিত হ'ব বিয়ানাম প্ৰতিযোগিতা। তাৰ পিছত সংঘৰপ্ৰাক্তন সভাপতি অতুল চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব এখনি সম্বৰ্ধনা সভা। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, ছিপাঝাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চাণক্য দেউৰী আৰু জাতীয় শিক্ষা সংসদ, অসমৰ সচিব ৰাণা বশিষ্ঠ। সন্ধিয়া অনুষ্ঠিত হ'ব অসমীয়া আধুনিক গীতৰ নৃত্য প্ৰতিযোগিতা আৰু বিহু নাচ প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী কুলদ্বীপ বৰুৱাই। নিশা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত মঙলদৈৰ ত্ৰিনয়ন সাংস্কৃতিক মহাবিদ্যালয়ৰ শিল্পী বৃন্দৰ দ্বাৰা বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব। অনুষ্ঠানটিৰ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰতিযোগীয়ে ৬০০০৩০৫৯৮০ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি সংঘৰ সম্পাদক পৱন কলিতাই জানিবলৈ দিছে।

# মুক্তিযোদ্ধা খগেশ্বৰ গগৈৰ ১০৬ সংখ্যক ওপজা দিন উদযাপন

**ই-সংবাদ, যোৰহাট, ১০ জানুৱাৰীঃ** ১০৬ বছৰত পদাৰ্পন কৰা তাম্ৰপত্ৰ প্ৰাপক মুক্তিযোদ্ধা খগেশ্বৰ গগৈৰ জয়ন্তী আজি যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনে পৰিয়ালৰ সহযোগত উলহ-মালহেৰে পালন কৰে। মুক্তিযোদ্ধাগৰাকীৰ যোৰহাট নগৰীৰ দহাবৰা চুকৰ বাসগৃহত অনুষ্ঠিত জন্মদিনৰ ওলগ অনুষ্ঠানত যোৰহাটৰ কুৰিটাৰো অধিক অনুষ্ঠান আৰু বহু ব্যক্তিয়ে মুক্তিযোদ্ধাগৰাকী ওলগ জনায়। উল্লেখ্য যে বিগত ১৩ বছৰ ধৰি স্বাধীনতা আন্দোলনৰ যোদ্ধাগৰাকীৰ জন্মদিন ৰাজহুৱাভাৱে উদযাপন কৰি অহা হৈছে। মুক্তি যুঁজাৰু সন্মিলনৰ কাৰ্যকৰী সভাপতি গিৰীশ চন্দ্ৰ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত 'আধাৰ' আলোচনীৰ মুখ্য সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী ডাঃ বলীন খাৰঘৰীয়া, অসম বিজ্ঞান লেখক সংস্থাৰ প্ৰাক্তন সভাপতি ড০ প্ৰমোদ চন্দ্ৰ নেওগ প্ৰমুখ্যে বিভিন্নজনে মুক্তিযুঁজাৰুগৰাকী সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। মুক্তি যুঁজাৰু সন্মিলনৰ কাৰ্যালয় সম্পাদক মুনিন্দ্ৰ নাথ দত্তই আঁত ধৰা অনুষ্ঠানত পৰিয়ালৰ তৰফৰ পৰা পুত্ৰ ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে শলাগ জনায়। উল্লেখ্য যে, আজীৱন মহাত্মা গান্ধীৰ আদৰ্শৰে খদ্দৰ-ধুতি-পাঞ্জাৱী পৰিধান কৰি সৰল জীৱন-যাপন কৰা মুক্তিযোদ্ধাগৰাকীৰ বৰ্তমান স্বাস্থ্যৰ অৱনতি ঘটিছে যদিও স্মৃতি শক্তি প্ৰখৰ হৈ আছে। আজীৱন সমাজ ব্ৰতী মুক্তিযোদ্ধাগৰাকীক যোৰহাট মুক্তি যুঁজাৰু সন্মিলনে এক বিভূষাৰে বিভূষিত কৰিব বুলি জানিব পৰা গৈছে। হৰিনাৰায়ণ বৰুৱাই প্ৰতিষ্ঠা কৰা অসম গাঁওৰক্ষী বাহিনীৰ অন্যতম সংগঠক খগেশ্বৰ গগৈক শতাধিক সংগঠনৰ লগতে জিলা প্ৰশাসনৰ ফালৰ পৰাও বিভিন্ন সময়ত সন্মান জনাইছে। মুক্তিযোদ্ধাগৰাকীৰ স্বাস্থ্যৰ তত্বাৱধান লোৱাৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাটো ৰাইজে কামনা কৰিছে।

# হিন্দু সুৰক্ষা সেনাৰ পৰা অব্যাহতি কাঞ্চন নাথৰ

**ই-সংবাদ, বৰপেটাৰোড, ১০ জানুৱাৰীঃ** হিন্দু সুৰক্ষা সেনা, অসমৰ দায়িত্বৰ পৰা অব্যাহতি লৈছে কাঞ্চন নাথে। আজি হিন্দু সুৰক্ষা সেনা, অসমৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদকে এক প্ৰেছ বিবৃতিৰ জৰিয়তে অসমবাসী ৰাইজক এই কথা অৱগত কৰে। বিবৃতিটোত কয় যে যোৱা ১৭ বছৰ নাথে হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক হিচাপে দায়িত্বত আছিল। তাৰ পিছত ২০১৮ চনৰ পৰা তেওঁ হিন্দু সুৰক্ষা সেনা, অসমৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক হিচাপে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে সাংগঠনিক কাম-কাজ চলাই গৈছিল। আজি নাথে জানিবলৈ দিয়া মতে, বিভিন্ন ব্যক্তিগত অসুবিধাৰ বাবে আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ তেওঁ হিন্দু সুৰক্ষা সেনা, অসমৰ সাধাৰণ সম্পাদকৰ দায়িত্বৰ পৰা অব্যাহতি লৈছে। তেওঁ আগন্তুক দিনত বৃহত্তৰ হিন্দু জনসাধাৰণৰ বাবে নিষ্ঠা সহকাৰে কাম-কাজ চলাই যাব বুলি জানিবলৈ দিয়ে।

# বৰপেটাত ২৫খন এটিএম কাৰ্ডৰ সৈতে প্ৰৱঞ্চকক আটক




**ই-সংবাদ, বৰপেটাৰোড, ১০ জানুৱাৰীঃ** সাৱধান! যিকোনো মুহূৰ্ততে আপোনাৰ কষ্টোপাৰ্জিত সাঁচতীয়া ধন লৈ যাব পাৰে প্ৰৱঞ্চকে। বৰ্তমান চাইবাৰ হেকাৰ চক্ৰই সলনি কৰিছে বেংকৰ জমা ধন সৰকোৱাৰ পদ্ধতি। এটিএম নবীকৰণ, বেংক পাছ বুক আপডেট, ক্ৰেডিট কাৰ্ড বন্ধ কৰাৰ নামত চাইবাৰ চক্ৰই অনলাইনৰ জৰিয়তে ধন লুট কৰাৰ পুৰণিকলীয়া কৌশল সলনি কৰি এতিয়া অভিনৱ কৌশলেৰে লুণ্ঠনৰ জাল পেলাইছে। তেনে এক ঘটনা সংঘটিত হৈছে বৰপেটাত।

এটিএমত টকা উলিয়াবলৈ যোৱা বেংকৰ গ্ৰাহকৰ পৰা কৌশলেৰে এটিএম কাৰ্ড সৰকাই নিয়া দুষ্ট চক্ৰৰ দল দীৰ্ঘদিনৰ পৰা বৰপেটাত সক্ৰিয় হৈ আহিছে। আজি তেনে চক্ৰৰ এজনক বৰপেটা চহৰৰ মাজমজিয়াত থকা ভাৰতীয় ষ্টেট বেংকৰ বাজাৰ শাখাৰ এটিএমৰ পৰা পইচা উলিয়াবলৈ যোৱা এজন জ্যেষ্ঠ লোকৰ পৰা কৌশলেৰে এটিএম কাৰ্ড সৰকাই নিয়াৰ চেষ্টা চলাওঁতে ৰাইজে আটক কৰে।আৰক্ষীয়ে লোকজনক বাক্সা জিলাৰ দহ মাইলৰ ধুপগুৰি গাঁৱৰ আমজা শেখৰ পুত্ৰ আখতাৰ হুছেইন বুলি চিনাক্ত কৰে। আৰক্ষীয়ে তালচী চলোৱাত আখতাৰৰ পৰা বিভিন্ন লোকৰ নামত থকা ২৫ খন এটিএম কাৰ্ড উদ্ধাৰ কৰে। আনহাতে, আখতাৰে কৌশলেৰে এটিএম কাৰ্ড সৰকাই নিবলৈ চেষ্টা কৰা শিক্ষক কলিমুদ্দিন আহমেদে জনায় যে তেওঁ চকুৰে ভালদৰে দেখা নাপায়। সেই কাৰণে এটিএম বুথটোত টকা উলাওৱাত অসুবিধা পোৱাত ওচৰতে আহি থিয় দিয়া আখতাৰ নামৰ লোকজনে উপযাচি সহায় কৰিবলৈ আহে আৰু টকা উলিয়াই দিয়াত সহায় কৰিব বুলি কাৰ্ডখন বিচাৰে। সেইমতে তেওঁ কাৰ্ডখন দিয়াত আখতাৰে কাৰ্ডখন সলনি কৰি আন এখন দিয়ে। আৰক্ষীয়ে আখতাৰৰ পৰা আন ২৫ খন এটিএম কাৰ্ড উদ্ধাৰ কৰে। বৰপেটা আৰক্ষীয়ে ইতিমধ্যে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

# হাতীৰ উপদ্ৰৱৰ বাবে তামুলপুৰৰ হৰিনচৰাত সজাগতামূলক সভা

**ই-সংবাদ, তামুলপুৰ, ১০ জানুৱাৰীঃ** তামুলপুৰ জিলাৰ উত্তৰাঞ্চলত বৃদ্ধি পোৱা বন্যহস্তীৰ উপদ্ৰৱৰ প্ৰতি লক্ষ্য ৰাখি আজি আৰণ্যকৰ উদ্যোগত বন বিভাগ আৰু মানাহ ছুচি খংখৰ ইকো টুৰিজিম ছ'চাইটিৰ যৌথ সহযোগত আয়োজন কৰা হয় এক সজাগতামূলক সভা। হাতীৰ গতিবিধি আৰু সুৰক্ষাৰ বাবে শেহতীয়াকৈ গঠন হোৱা ৩৪ খন গাঁৱৰ এডিএছ কমিটীৰ সদস্যবৃন্দৰ উপস্থিতিত আয়োজিত সজাগতামূলক সভাত আৰণ্যকৰ উপ-মুখ্য বিষয়া হিতেন বৈশ্যই হাতীৰ গতিবিধি সন্দৰ্ভত



শেহতীয়াকৈ সীমান্তৰ লগতে পাহাৰ অঞ্চলৰ কিছু তথ্যমূলক বক্তব্য আগবঢ়াই প্ৰকৃতি সংৰক্ষণত অধিক গুৰুত্ব দিয়াৰ বাবে এডিএছ সদস্যসকলক আহ্বান জনায়। বন্যহস্তীৰ খাদ্য আৰু জীৱন প্ৰণালীৰ ধাৰণা সম্পৰ্কে আলোচনা কৰা আজিৰ সভাত শতাধিক লোক উপস্থিত থাকে। আজিৰ সভাত কুমাৰীকাটা বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অধীনৰ বগৰিখুটি বন বিভাগৰ বন কৰ্মীৰ লগতে আৰণ্যকৰ তামুলপুৰ আৰু বাক্সা জিলাৰ প্ৰকল্প সহায়ক অভিজিত গগৈ উপস্থিত থাকে।

# উজনিৰ চাৰি জিলাৰ স্বাস্থ্য বিভাগৰ পৰ্যালোচনা মন্ত্ৰী অশোক সিংহলৰ

**ই-সংবাদ, ডিব্ৰুগড়, ১০ জানুৱাৰীঃ** অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে আজি ডিব্ৰুগড়ত উপস্থিত হৈ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীৰ উপস্থিতিত অনুষ্ঠিত আজিৰ বৈঠকত উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ স্বাস্থ্য বিভাগৰ কাম-কাজ সবিস্তাৰে পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে জিলা কেইখনৰ সকলো স্বাস্থ্য সূচক আৰু আঁচনিসমূহৰ ৰূপায়ণ তথা অগ্ৰগতিৰ বুজ লোৱাৰ লগতে জিলাকেইখনৰ স্বাস্থ্য সেৱাৰ আন্তঃগাৰ্থনিৰো বুজ লয়। বৈঠকত মূলতঃ প্ৰসূতিৰ মৃত্যুৰ অনুপাত, নৱজাতকৰ মৃত্যুৰ হাৰ, প্ৰাক্ প্ৰসৱ গৰ্ভৱতী মহিলাৰ পঞ্জীয়ন, ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰম আৰু ৩০ বছৰ উৰ্ধৰ লোকৰ অসংক্ৰামক ৰোগৰ পৰীক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত এই জিলা কেইখনত বৰ্তমানৰ স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি আৰু চলি থকা পদক্ষেপসমূহৰ বিষয়ে সংশ্লিষ্ট বিষয়ববীয়াসকলৰ পৰা তেওঁ বিশদভাৱে বুজ লয়। বিভিন্ন স্বাস্থ্য সূচকসমূহ অধিক উন্নত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সকলো নাগৰিকৰ বাবে গুণগত, সুলভ আৰু সময়োপযোগী চিকিৎসা ব্যৱস্থা তথা সামগ্ৰিক সুস্থতা সুনিশ্চিত কৰাৰ বাবে নিষ্ঠাৰে কাম কৰি যাবলৈ তেওঁ বিষয়াসকলক আহ্বান জনায়। চাহ বাগিচাৰ গৰ্ভৱতী মহিলাসকলৰ মজুৰিৰ ক্ষতিপূৰণ আঁচনিৰ নিখুঁত ৰূপায়ণত বিশেষ গুৰুত্ব আৰোপ কৰি এইক্ষেত্ৰত জিলা আয়ুক্তসকলক প্ৰত্যক্ষভাৱে নিৰীক্ষণত ৰাখিবলৈ তেওঁ নিৰ্দেশ দিয়ে। বিশেষকৈ তিনিচুকীয়া জিলাত এই আঁচনিত বহুসংখ্যক যোগ্য হিতাধিকাৰী বিভিন্ন কাৰণত বাদ পৰি যোৱাত উদ্বেগ প্ৰকাশ কৰি অহা এসপ্তাহৰ ভিতৰত প্ৰয়োজনীয় কাম সম্পূৰ্ণ কৰিবলৈ তেওঁ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। আনহাতে, ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমত প্ৰায়বোৰ জিলাতে শিশুৰ ছালৰ সংক্ৰমণৰ বৰ্ধিত মাত্ৰাত চিন্তা প্ৰকাশ কৰি তৃণমূল পৰ্যায়ত ব্যক্তিগত স্বচ্ছতা আৰু পৰিচ্ছন্নতাৰ ক্ষেত্ৰত সজাগতাৰ বাবে আশা কৰ্মীসকলক জড়িত কৰিবলৈ তেওঁ স্বাস্থ্য বিষয়াসকলক নিৰ্দেশ দিয়ে। স্বাস্থ্য সম্পৰ্কীয় তথ্যসমূহৰ সঠিক উপস্থাপনৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। প্ৰাক্ প্ৰসৱ গৰ্ভৱতী মহিলাৰ পঞ্জীয়ন আৰু শিশুৰ জন্মৰ পঞ্জীয়নৰ তথ্যৰ সৈতে সামঞ্জস্য ৰাখি জিলাসমূহত প্ৰসূতি আৰু নৱজাতকৰ ১০০ শতাংশ নিয়মীয়া টীকাকৰণ সুনিশ্চিতকৰণৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। সেইদৰে সকলো নাগৰিককে আয়ুষ্মান ভাৰত স্বাস্থ্য একাউন্ট, চমুকৈ আভা পঞ্জীয়নৰ বাবেও বিশেষ অভিযান হাতত ল'বলৈ তেওঁ নিৰ্দেশ দিয়ে। উজনি অসমৰ জিলাকেইখনত প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ পৰিসংখ্যাত উদ্বেগ প্ৰকাশ কৰি এই হাৰ কমোৱাৰ বাবে অহা দিনবোৰত এক বিশেষ কাৰ্যসূচী হাতত লোৱা হ'ব বুলিও মন্ত্ৰী সিংহলে আজি ঘোষণা কৰে। ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমক অধিক সংগঠিত কৰি ১৮ বছৰ বয়সপৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষাৰ বাবে ৰাজ্যজুৰি এক বিশেষ অভিযান চলিব বুলিও তেওঁ জানিবলৈ দিয়ে। এই অভিযানত প্ৰায় ৩০-৩২ টা সূচকৰ ওপৰত ভিত্তি কৰি শিশুৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে তেওঁলোকৰ জন্মগত ৰোগ, পৰিপুষ্টিগত সমস্যা আৰু অন্যান্য বিষয় কম বয়সতে চিনাক্ত কৰি তাৰ চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। এই জিলাকেইখনৰ লগতে সামগ্ৰিকভাৱে ৰাজ্যত ৩০ বছৰ উৰ্ধৰ লোকৰ অসংক্ৰামক ৰোগৰ পৰীক্ষণত পোহৰলৈ অহা পৰিসংখ্যা যথেষ্ট উদ্বেগজনক বুলি মন্ত্ৰী সিংহলে অভিহিত কৰে। ৰাজ্যৰ আয়ুষ্মান আৰোগ্য মন্দিৰসমূহৰ জৰিয়তে এইক্ষেত্ৰত ৰাইজক সজাগ কৰি নিয়মীয়া যোগাভ্যাসৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য পদক্ষেপো গ্ৰহণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। আনহাতে, সংশ্লিষ্ট জিলাৰ আয়ুক্ত তথা স্বাস্থ্য বিষয়াসকলে জিলাকেইখনত চিকিৎসক আৰু পেৰামেডিকেল কৰ্মীৰ নাটনিৰ কথা উল্লেখ কৰাত এইক্ষেত্ৰত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ তৰফৰ পৰা প্ৰয়োজনীয় চিকিৎসক নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰে। এই পৰ্যালোচনা সভাত চাবুৱা সমষ্টিৰ বিধায়ক পোণাকণ বৰুৱা, থাউৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড০ পি অশোক বাবু, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰী, তিনিচুকীয়া জিলাৰ জিলা আয়ুক্ত স্বপ্নীল পাল, চৰাইদেউৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অ'এছডি পংকজ চমুৱা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সঞ্চালক ডাঃ উমেশ ফাংচ', স্বাস্থ্য বিভাগৰ দায়িত্বত থকা চাৰিওখন জিলাৰ অতিৰিক্ত আয়ুক্তসকল, জিলাকেইখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকসকল, বিভিন্ন স্বাস্থ্য কাৰ্যসূচীৰ ন'ডেল বিষয়াসকল, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ মুখ্য কাৰ্যালয় আৰু চাৰি জিলাৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ আঁচনি প্ৰবন্ধন গোটৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

# কাব্যানুষ্ঠান 'বাটৰ কবিতা'ৰ একাদশ বৰ্ষত পদাৰ্পণ

**ই-সংবাদ, মৈৰাবাৰী, ১০ জানুৱাৰীঃ** ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি মাহৰ ১০ তাৰিখে বিশেষকৈ মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰু সময়ে সময়ে অন্যান্য স্থানতো নিয়মীয়াকৈ অনুষ্ঠিত হোৱা সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা'ই ইতিমধ্যে গৌৰৱোজ্জ্বল ১০টা বৰ্ষ অতিক্ৰমি এইবেলি একাদশ বৰ্ষত পদাৰ্পণ কৰিলে। আজি আবেলি ২ বজাত এই উপলক্ষে মৈৰাবাৰী কলেজ ৰোডৰ কাষত মৈৰাবাৰী নিউ ছেকেণ্ডাৰী স্কুল প্ৰাংগণত অনুষ্ঠিত 'বাটৰ কবিতা' অনুষ্ঠানটো সঞ্চালনা কৰে বিশিষ্ট কবি, লেখক মুহাম্মাদ আফজালে আৰু উদ্দেশ্য ব্যাখ্যা কৰে জনপ্ৰিয় কবি হাৰুন অল ৰাশিদে। অনুষ্ঠানত কবিতা পাঠ কৰে কবি হাৰুন অল ৰাশিদ, ইয়াচমিন আৰা বেগম, মুহাম্মাদ আফজাল, ৰুৱেল আহমেদ, ৰেকিবুল আজাদ আৰু মৈৰাবাৰী নিউ ছেকেণ্ডাৰী স্কুলৰ বিদ্যাৰ্থী খাইৰুন নাহাৰ আৰু জুলফিকাৰে। অনুষ্ঠানত শিক্ষক




জিন্নাতুল ইছলাম আৰু কবি আশ্ৰাফুল হকে গীত পৰিৱেশন কৰাৰ লগতে কবিতা আবৃত্তি কৰে স্কুলৰে বিদ্যাৰ্থী মুহচিনা খাতুন আৰু কণমানি শিশু তাজিম জায়ান আহমেদে। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীৰ কাব্যিক প্ৰতিভা বিকাশৰ উদ্দেশ্যে মৈৰাবাৰী নিউ ছেকেণ্ডাৰী স্কুল প্ৰাংগণত এইবাৰ 'বাটৰ কবিতা' অনুষ্ঠিত হোৱাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষাৰ্থীৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হয়। অনুষ্ঠানত উপস্থিত থাকি বিদ্যালয়ৰ প্ৰধান শিক্ষক হাৰুন ৰশিদ আৰু জ্যেষ্ঠ শিক্ষক আব্বাছ আহমেদে 'বাটৰ কবিতা' অনুষ্ঠানৰ দৰে সুন্দৰ মঞ্চৰ মাধ্যমেদি কবিতা চৰ্চা কৰি সৃষ্টিশীল প্ৰতিভা বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীৰ লগতে উপস্থিত সকলোকে আহ্বান জনায়। ইপিনে, বিদ্যালয়খনৰ দুগৰাকী বিদ্যাৰ্থী খাইৰুন নাহাৰ আৰু জুলফিকাৰক স্বৰচিত কবিতা পাঠৰ বাবে একোটাকৈ কলেম উপহাৰেৰে শব্দৰ সাধনা কৰিবলৈ অনুপ্ৰাণিত কৰে 'বাটৰ কবিতা'ৰ সমন্বয়ক মুহাম্মাদ আফজাল আৰু শিক্ষক জিন্নাতুল ইছলামে। শেষত কবি খাইৰুল ইছলামৰ এটি চুটি কবিতা পাঠ কৰি সঞ্চালক মুহাম্মাদ আফজালে আগলৈকো কবি আৰু কাব্যপ্ৰেমী ৰাইজৰ সহায়-সহযোগ আন্তৰিকতাৰে কামনা কৰে।

# হাজো ক্ৰীড়া সন্থাৰ সোণালী জয়ন্তী মহোৎসৱ

**ই-সংবাদ, হাজো, ১০ জানুৱাৰীঃ** হাজো ক্ৰীড়া সন্থাৰ সোণালী জয়ন্তী মহোৎসৱৰ সামৰণি অনুষ্ঠান অহা ২৫ জানুৱাৰীত হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ (হাজো ষ্টেডিয়াম)ত অনুষ্ঠিত হ'ব। কালি উদযাপন সমিতিৰ সভাপতি তথা অসম অলিম্পিক সন্থাৰ যুটীয়া সম্পাদক ৰাতুল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত অনুষ্ঠানৰ দিন আৰু কাৰ্যসূচী প্ৰস্তুত কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সামৰণি অনুষ্ঠানত প্ৰদৰ্শনীমূলক মহিলাৰ ফুটবল, ভলীবল, বেডমিন্টন, কাৰাটে, মল্লযুঁজ আৰু ৰছী টনা খেল অনুষ্ঠিত হোৱাৰ লগতে ৰাষ্ট্ৰীয়, ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত সফলতা লাভ কৰা হাজোৰ শ্ৰেষ্ঠ খেলুৱৈসকলক সম্বৰ্ধনা জনোৱা হ'ব। আনহাতে সন্ধিয়াৰ ভাগত বলিউডৰ জনপ্ৰিয় কণ্ঠশিল্পী বিনোদ ৰাথোড়ৰ সাংস্কৃতিক অনুষ্ঠানৰে হাজো ক্ৰীড়া সন্থাৰ সোণালী জয়ন্তী মহোৎসৱৰ সামৰণি পৰিব বুলি জানিবলৈ দিয়ে উদযাপন সমিতিৰ সম্পাদক দিপাংকৰ মজুমদাৰে। হাজোৰ ভৰালীটোলাস্থিত শিশু কল্যাণ ভৱনত কালি নিশা অনুষ্ঠিত বৈঠকত ক্ৰীড়াপ্ৰেমী ৰাইজৰ প্ৰস্তাৱ অনুসৰি সমাজকৰ্মী প্ৰকাশ চন্দ্ৰ দাসক উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতিৰ পদ অৰ্পন কৰা হয়। অহা ২৫ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া সোণালী জয়ন্তী মহোৎসৱৰ সামৰণি অনুষ্ঠানৰ সমূহ কাৰ্যসূচীত ৰাইজক অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে সোণালী জয়ন্তী মহোৎসৱ উদযাপন সমিতিয়ে। সমগ্ৰ অনুষ্ঠানটো সফলতাৰে আয়োজিত হ'ব বুলি আশা প্ৰকাশ কৰিছে উদ্যোক্তাসকলে।

# কেকেনীকুছিত ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ, ৰঙিয়া, ১০ জানুৱাৰীঃ** ৰঙিয়াৰ কেকেনীকুছিত কৃষ্টি বিকাশ যুৱক সংঘৰ উদ্যোগত ষষ্ঠ বাৰ্ষিক প্ৰাইজমানি টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ১৮ আৰু ১৯ জানুৱাৰীত দুদিনীয়াকৈ আয়োজন কৰা প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে ট্ৰফীসহ ৫০০০ আৰু ২৫০০ টকা আগবঢ়োৱা হ'ব। সবিশেষ তথ্যৰ বাবে আগ্ৰহী দলসমূহে ৬৯০১৫২৮২১০ অথবা ৮৭২১০০৪৮৩০ ফোন নম্বৰযোগে যোগাযোগ কৰিব পাৰিব।




ৰাজকোটত অনুষ্ঠিত মহিলা দলৰ প্ৰথম এদিনীয়াত আয়াৰলেণ্ডৰ উইকেট দখলৰ পিছত উল্লাস টিতাছ সাধুৰ

## আয়াৰলেণ্ডৰ বিৰুদ্ধে প্ৰথম এদিনীয়াত অভিলেখ ৰচনা

# এদিনীয়া ফৰ্মেটত ৪০০০ ৰান সম্পূৰ্ণ মান্ধানাৰ

**ৰাজকোট, ১০ জানুৱাৰীঃ** ইতিহাস ৰচনা কৰিলে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ তাৰকা বেটছমেন স্মৃতি মান্ধানাই। ভাৰতৰ হৈ এদিনীয়া ফৰ্মেটত ৪০০০ ৰান সংগ্ৰহ কৰা দ্বিতীয়গৰাকী মহিলা খেলুৱৈ হিচাপে পৰিগণিত হৈছে মান্ধানা। ২৮ বৰ্ষীয় বেটছমেনগৰাকীয়ে আয়াৰলেণ্ডৰ বিৰুদ্ধে চলি থকা এদিনীয়া শৃংখলাৰ সময়ত এই বিশেষ মাইলৰ খুঁটি অৰ্জন কৰে। শুকুৰবাৰে ৰাজকোটৰ সৌৰাষ্ট্ৰ ক্ৰিকেট এছ'চিয়েশ্যন ষ্টেডিয়ামত অনুষ্ঠিত হৈছে এই শৃংখলাৰ প্ৰথমখন খেল। খেলখনত ১৪১.৩৮ ষ্ট্ৰাইক ৰেটেৰে ২৯টা বলত ৪১ ৰান সংগ্ৰহ কৰি এদিনীয়া ফৰ্মেটত চাৰি সহস্ৰ ৰাণৰ সীমা অতিক্ৰম কৰে। তেওঁৰ ইনিংছত আছিল ছটা চাৰি আৰু এটা ছয়। কেৱল সেয়াই নহয়, মহিলাৰ এদিনীয়া ক্ৰিকেটত বিশ্বজুৰি দ্ৰুততম ৪,০০০ ৰান সংগ্ৰহ কৰা খেলুৱৈৰ তালিকাতো তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে স্মৃতি মান্ধানাই। এই তালিকাৰ প্ৰথম স্থানত আছে অষ্ট্ৰেলিয়াৰ বেলিণ্ডা ক্লাৰ্ক, যিয়ে মাত্ৰ ৮৬ ইনিংছত এই অভিলেখ অৰ্জন কৰে। দ্বিতীয় স্থানত আছে ৮৯ ইনিংছত এই অভিলেখ অৰ্জন কৰা অষ্ট্ৰেলিয়াৰ মেগ লেনিং। এই দুই কিংবদন্তিৰ পিছত ৯৫ ইনিংছত এই কৃতিত্ব অৰ্জন কৰি তৃতীয় স্থান লাভ কৰিছে ভাৰতীয় তাৰকা বেটছমেনগৰাকীয়ে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ভাৰতীয় মহিলা এদিনীয়া ক্ৰিকেটত মাত্ৰ এগৰাকী খেলুৱৈয়েহে ৪০০০ ৰান সংগ্ৰহ কৰিছিল। তেওঁ আছিল প্ৰাক্তন অধিনায়ক মিতালী ৰাজ। মিতালীয়ে ২৩২খন খেলত ২১১ ইনিংছত ৫০.৬৮ গড়ে ৭৮০৫ ৰান সংগ্ৰহ কৰিছে। স্মৃতি মান্ধানা এতিয়া এই কৃতিত্ব অৰ্জন কৰা দ্বিতীয়গৰাকী ভাৰতীয় মহিলা খেলুৱৈ হিচাপে পৰিগণিত হৈছে। মান্ধানাই এই পৰ্যন্ত ৯৫খন এদিনীয়াত ৪৪.৯৫ গড়ে ৪০০১ ৰান সংগ্ৰহ কৰিছে।

# খাদ্যত বিহ দিয়াৰ অভিযোগ জ'কভিচৰ

**ছিডনী, ১০ জানুৱাৰীঃ** অষ্ট্ৰেলিয়াত বিষাক্ত খাদ্য খাবলৈ দিয়া হৈছিল ছাৰ্বিয়াৰ টেনিছ তাৰকা ন'ভাক জ'কভিচক। শেহতীয়াকৈ এক সাক্ষাৎকাৰত নিজেই এই কথা সদৰী কৰিছে টেনিছ তাৰকাগৰাকীয়ে। তেওঁ কয় যে ২০২২ চনৰ অষ্ট্ৰেলিয়ান অ'পেন ভিছা বিতৰ্কৰ সময়ত তেওঁক জিম্মাত ৰখাৰ সময়ত জ'কভিচক এনে খাদ্য দিয়া হৈছিল যাৰ ফলত তেওঁৰ শৰীৰত বিষক্ৰিয়া হৈছিল। ছাৰ্বিয়ালৈ উভতি অহাৰ লগে লগে তেওঁৰ শৰীৰত সীহ আৰু পাৰাকে ধৰি অতিমাত্ৰা গধুৰ ধাতু পোৱা গৈছিল বুলি দাবী কৰে ন'ভাক জ'কভিচে। টেনিছ তাৰকাগৰাকীয়ে কয় যে এই ঘটনাৰ পিছত তেওঁ কেতিয়াও কাৰো আগত এই কথা প্ৰকাশ কৰা নাছিল। অৱশ্যে ১২ মাহৰ পাছত অষ্ট্ৰেলিয়ালৈ উভতি আহি মেলব'ৰ্ণত তেওঁ খিতাপ দখল কৰে। ২০২২ চনৰ বিতৰ্কৰ মাজতো অষ্ট্ৰেলিয়াৰ জনসাধাৰণৰ পৰা তেওঁৰ কোনো অভিযোগ পোৱা নাই বুলি জ'কভিচে কয় আৰু তেওঁৰ প্ৰতি কৰা ব্যৱহাৰৰ বাবে বহু অষ্ট্ৰেলিয়ান লোকে ক্ষমা বিচাৰিছে বুলি তেওঁ মন্তব্য কৰে। লগতে তেওঁ কয় যে চৰকাৰে তেওঁৰ ভিছাৰ অৱস্থান পুনৰুদ্ধাৰ কৰিছে, যাৰ বাবে তেওঁ কৃতজ্ঞ। জ'কভিচে কয় যে তেওঁ অষ্ট্ৰেলিয়াত থাকি ভাল পায় আৰু তেওঁৰ টেনিছৰ ফলাফলে প্ৰমাণ কৰে যে তেওঁৰ বাবে তাত থকাটো কিমান গুৰুত্বপূৰ্ণ। অৱশ্যে অষ্ট্ৰেলিয়ান অ'পেনৰ পৰিচালক ক্ৰেগ টিলিয়ে জ'কভিচৰ এই দাবীক পুৰণি বিষয় বুলি অভিহিত কৰি কোনো মন্তব্য দিবলৈ অস্বীকাৰ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ডাঃ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি